সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ৩৮ সংখ্যা, ৫ আহিন , ৰবি বাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ / ১৯৯৪
RNI No. 53883/94. GHY--781025. Vol. 30: Issue No.38 Date Of Publication - 22 September 2024 Rs.10.00/-

## ম্যানমাৰৰ পৰা ৯০০ উগ্ৰপন্থীৰ অনুপ্ৰৱেশ মণিপুৰত

ৰঙিলী বাৰ্ত্তাসেৱা- ম্যানমাৰৰ পৰা অনুপ্ৰৱেশ কৰা উগ্ৰপন্থীয়ে ভয়াৱহ আক্ৰমণ চলাব মণিপুৰত। কুকি আৰু মেইটেই সম্প্ৰদায়ৰ মাজত সংঘটিত গোষ্ঠীসংঘৰ্ষই মণিপুৰ অশান্ত কৰি ৰখাৰ সময়তে কুকি উগ্ৰপন্থীয়ে ড্ৰোনেৰে বোমা নিক্ষেপ কৰি ইতিমধ্যে ভয়াবহ আক্ৰমণ চলাইছে। এই ভয়াৱহ আক্ৰমণৰ বাবে অশান্ত হৈ আছে ৰাজ্যখন। চোৰাংচোৰা সূত্ৰই লাভ কৰা তথ্য মতে, ম্যানমাৰৰ পৰা ৯০০ কুকি উগ্ৰপন্থী মণিপুৰত



অনুপ্ৰৱেশ কৰিছে। অত্যাধুনিক মাৰণাস্ত্ৰৰে সুসজ্জিত ৯০০ কুকি উগ্ৰপন্থীয়ে ৩০জনীয়া গোটত বিভক্ত হৈ ৰাজ্যখনৰ বিভিন্ন স্থানত বাহৰ পাতিছে। যিকোনো মুহূৰ্ততে এই উগ্ৰপন্থী গোটকেইটাই ভয়াবহ আক্ৰমণ সংঘটিত কৰিব পাৰে। চোৰাংচোৰা সূত্ৰই এই তথ্য লাভ কৰাৰ পাছতে ৰাজ্যখনত সেনাক সতৰ্ক কৰি দিয়া হৈছে। তথ্য মতে, কুকি উগ্ৰপন্থীয়ে চলিত মাহতে ভয়াবহ আক্ৰমণ সংঘটিত কৰিব। এক সূত্ৰই প্ৰকাশ কৰা মতে, ২৮ ছেপ্টেম্বৰত সশস্ত্ৰ কুকি উগ্ৰপন্থীয়ে মণিপুৰত সংহাৰ চলোৱাৰ সম্ভাৱনা আছে। মণিপুৰৰ নিৰাপত্তাৰ দায়িত্বত থকা নিৰাপত্তা উপদেষ্টা কুলদীপ সিঙে প্ৰকাশ কৰা মতে, ম্যানমাৰৰ পৰা মণিপুৰত প্ৰৱেশ কৰা উগ্ৰপন্থী সংগঠনে আক্ৰমণ কেতিয়া ক'ত কৰিব সেয়া (দহ পৃষ্ঠাত চাওক)

## মহাপ্ৰৱঞ্চক দীপাংকৰ বৰ্মনৰ পিতৃ-মাতৃক গ্ৰেপ্তাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অনলাইন ট্ৰেডিঙেৰে নিশাটোৰ ভিতৰতে কোটিপতি হোৱাৰ স্বপ্ন দেখুৱাই ৰাইজৰ পৰা প্ৰায় ৭ হাজাৰ কোটি টকা লুণ্ঠন কৰি পলাতক হৈ থকা ডি বি ষ্টক ব্ৰকিঙৰ স্বত্বাধিকাৰী দীপাংকৰ বৰ্মনৰ পিতৃ-মাতৃক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। অপৰাধ শাখাৰ সহযোগত গুৱাহাটীৰ পল্টনবজাৰ আৰক্ষীয়ে মহানগৰীৰ গড়চুকৰ অভিগুণা এপাৰ্টমেণ্টৰ বাসভৱনৰ পৰা দীপাংকৰ বৰ্মনৰ পিতৃ চবিন বৰ্মন আৰু মাতৃ দীপালী তালুকদাৰক গ্ৰেপ্তাৰ কৰে। বিগত এমাহ ধৰি ৰাইজৰ ধন আত্মসাৎ কৰি পলায়ন কৰা দীপাংকৰ বৰ্মনৰ আত্মগোপন সন্দৰ্ভত পিতৃ-মাতৃয়ে বহু কথা জানে বুলি সন্দেহ কৰিয়েই আৰক্ষীয়ে দুয়োজনক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰৰ অন্তত দুয়োকে আদালতত হাজিৰ কৰোৱা হয় যদিও আদালতে দুয়োজনক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। অৱশ্যে দুয়োজনক কাৰাগাৰত হ'লেও তদন্তকাৰী বিষয়াই জেৰা কৰিব পাৰিব বুলি জানিব পৰা গৈছে। উল্লেখ্য যে পল্টনবজাৰ থানাত ইতিমধ্যে কেইবাগৰাকী ভুক্তভোগীয়ে দাখিল কৰা এজাহাৰৰ ভিত্তিত ৰুজু হোৱা ২৮৮/২৪ নম্বৰ গোচৰৰ ভিত্তিত দুয়োজনকে গ্ৰেপ্তাৰ কৰা হৈছে। একাংশ ভুক্তভোগীয়ে অভিযোগ কৰা মতে, দীপাংকৰৰ পিতৃ-মাতৃয়ে লুণ্ঠনৰ সকলো কাহিনী ভালদৰে অৱগত যদিও পুত্ৰৰ স্বাৰ্থত (দহ পৃষ্ঠাত চাওক)

## দিল্লীৰ মুখ্যমন্ত্ৰী হিচাপে শপত ল'লে আতিশী সিঙে

ৰঙিলী বাৰ্ত্তাসেৱা- দিল্লীৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিলে আপৰ জ্যেষ্ঠ নেত্ৰী আতিশী সিঙে। সুৰা নীতি কেলেংকাৰিত জামিনত মুক্তি লাভ কৰি অৰবিন্দ কেজৰিৱালে মুখ্যমন্ত্ৰীৰ পদ ত্যাগ কৰাৰ পাছতে দিল্লীত আপৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে আতিশী সিঙে। ৰাজনিৱাসত অনুষ্ঠুপীয়া কাৰ্যসূচীত উপ-ৰাজ্যপাল ভি কে ছাক্সেনাই আতিশী সিঙক শপতবাক্য পাঠ কৰোৱাৰ পাছত পাঁচজন কেবিনেট মন্ত্ৰীয়ে শপতগ্ৰহণ কৰে। আপৰ মুৰব্বী তথা প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল উপস্থিত থকা



কাৰ্যসূচীত প্ৰথমে আতিশী সিঙে মুখ্যমন্ত্ৰীৰ শপত লয়। তাৰ পিছত কেবিনেট মন্ত্ৰী হিচাপে গোপাল ৰায়, সৌৰভ ভৰদ্বাজ, কৈলাশ গেহলট, ইমৰান হুছেইন আৰু মুকেশ (দহ পৃষ্ঠাত চাওক)

সম্পাদকীয়

## ৰাজ্যক দহিছে গৰমে

স্বাগতা বৰুৱা গোস্বামী



নিয়ৰ সিক্ত গধূলিৰ এক আমেজ আমেজ ভৰা সময় আহিন। যাৰ পৰশত জীপাল হৈ উঠে একো একোটা গীত, কবিতা অথবা গল্প। সচাঁকৈয়ে প্ৰকৃতিৰ এক অপূৰ্ব সৃষ্টি আহিন। সৰুতেই পঢ়িছিলো ভাদ মাহত মহাপুৰুষ গুৰুজনাৰ তিথি, আহিন মাহত দুবৰিবন নিয়ৰত থাকে তিতি। আহিনৰ লগত এক মধুৰ সম্পৰ্ক শৰৎৰ। ৰসৰ এক বিস্ময়কৰ সংযোগ এই শৰৎ। প্ৰেমিক প্ৰেমিকাৰ সাক্ষী এই শৰতেই। পিছে এইবাৰ যেন সুন্দৰ আহিনক দহিছে গৰমে। ৰাজ্যত তীব্ৰ গৰমে দহিছে প্ৰায় এসপ্তাহতকৈ বেছি দিন। বতৰ বিজ্ঞান কেন্দ্ৰৰ তথ্য অনুযায়ী ৩- ৪ দিনলৈকেও বৰষুণ অহাৰ কোনো সম্ভাৱনা নাই। সূৰ্য উঠা দেশৰ তাপমাত্ৰায়েই এইবাৰ যেন সৰ্বোচ্চ অভিলেখ গঢ়াৰ দিশে। দেই পুৰি নিছে মানুহৰ লগতে গছ-গছনি তথা সকলো জীৱ জন্তুকো। দুৰ্বিষহ কৰি তুলিছে দৈনন্দিন জীৱন যাপন। অবাধ হাৰত গছ-বন কটাৰ ফল আজি ভুগিব লগা হৈছে আমাৰ সাধাৰণ ৰাইজে। সূৰ্যৰ তাপমাত্ৰাৰ তীব্ৰতাই ৰাজ্যত ঘটোৱা কেইবাটাও ঘটনা সৰ্বজন বিদিত। বৰষুণৰ পৰিমাণ আচৰিত ধৰণে হোৱা হ্ৰাসে আমাক এক ভয়ংকৰ ভৱিষ্যতৰ আগজাননি নিদিয়েনে বাৰু? এনে পৰিপেক্ষিতত পৰৱৰ্তী গ্ৰীষ্মকালৰ কথা মনলৈ আহিলে ভয়তে হাত ভৰি কৰ্পিবলৈ আৰম্ভ কৰে, বিভিন্ন ধৰণৰ দুঃচিন্তাই আগুৰি ধৰে। গছ থাকিলেহে মানুহ থাকিব। আমি এই কথা সৰোগত কৰি হাতে হাত ধৰি সকলোৱে গছ ৰোপন কৰো আহক। গছ পুলি ৰোপনতেই ক্ষান্ত নাথাকি পুলিটোক নিজ সন্তানৰ দৰে প্ৰতিপালনৰ দায়িত্বও আমাৰেই।

# জোন সুৰুয সামাজিক সাংস্কৃতিক সংস্থাৰ উদ্যোগত “নাম অমৃত নদী” শীৰ্ষক তিনিদনীয়া কাৰ্যসূচীৰে এখনি কৰ্মশালা অনুষ্ঠিত

ৰঙিলী বাৰ্ত্তাসেৰা- জোন সুৰুয সামাজিক সাংস্কৃতিক সংস্থাৰ উদ্যোগত “নাম অমৃত নদী” শীৰ্ষক ১৩, ১৪, ১৫ চেপ্তেম্বৰ তাৰিখে তিনিদনীয়া কাৰ্যসূচীৰে এখনি কৰ্মশালা অনুষ্ঠিত কৰা হয় নিউ গুৱহাটী ৰেলৱে কলনি, বিহু ফিল্ডত। এই কৰ্মশালা অনুষ্ঠানত প্ৰশিক্ষণ দিয়ে ঘোষা নাম আৰু দিহা নামৰ প্ৰশিক্ষক ক্ৰমে সংস্থাৰ কাৰ্যকৰী সভাপতি দিগন্ত ভাগৱতী দেৱ আৰু নীলিমা দাসে। প্ৰশিক্ষণৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে সাংস্কৃতিক সভাপতি মাননীয় দিলীপ কলিতা দেৱে। “নাম অমৃত নদী” শীৰ্ষক কৰ্মশালা উদ্বোধন কৰে মুখ্য উপদেষ্টা তথা আমাৰ অসম কাকতৰ কাৰ্যবাহী সম্পাদক গৌতম শৰ্মা দেৱে। তিনিদিনীয়া কৰ্মশালাখনৰ মূল গুৰি ধৰোঁতা তথা সংস্থাৰ মুখ্য উপদেষ্টা মাননীয় মনোজ কুমাৰ শৰ্মা বৰদলৈদেৱ, আইনী উপদেষ্টা মাননীয়া অঞ্জনা দত্ত, সভাপতি মাননীয়া প্লাৱিতা মহন্ত, উপ সভাপতি নীলোৎপল হাজৰিকা দেৱ, কাৰ্যবাহী সভাপতি মাননীয় দিগন্ত ভাগৱতী দেৱ, সাংস্কৃতিক সভাপতি মাননীয় দিলীপ



কলিতা দেৱ সম্পাদক মাননীয়া জোনালী শৰ্মা, সহঃসম্পাদক নিলম ডেকা, গিৰিমনি গগৈ, প্ৰণিতা দাসৰ গুৰুত্বপূৰ্ণ ভূমিকা ও তৎপৰতাত সৰ্বাংগ সুন্দৰ হৈ পৰে কৰ্মশালাখন।সাহিত্য সম্পাদক মনীষা শৰ্মা, সাহিত্য উপদেষ্টা ড° শেৱালি দাস কলিতাকে আদি কৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উক্ত কৰ্মশালাত উপস্থিত থাকে।১৫ চেপ্তেম্বৰ তাৰিখে কৰ্মশালাৰ সামৰণি পৰে। উক্ত দিনটোত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ক্ৰমে মুখ্য উপদেষ্টা শ্ৰীযুত মনোজ কুমাৰ শৰ্মা বৰদলৈ, শ্ৰী যুত হীৰকজ্যোতি শৰ্মা, শ্ৰী যুতা নীলিমা দাস, শ্ৰী যুতা নীলিমা দেৱী, শ্ৰী যুত কুলেন্দ্ৰ ৰায় চৌধুৰী, উপদেষ্টা শ্ৰী যুতা ৰুণু শৰ্মা দেৱী, ড° উৎপল নাৰায়ণ গোস্বামী। সেই দিনটোত ঘোষা -দিহা নামৰ আয়তীসকলক একোখনকৈ মানপত্ৰ বিতৰণ কৰা হয়। মানপত্ৰ বিতৰণ কৰে সংস্থাৰ মুখ্য উপদেষ্টা মনোজ কুমাৰ শৰ্মা বৰদলৈ দেৱ আৰু উপ সভাপতি নীলোৎপল হাজৰিকা দেৱে।

# ‘এক দেশ, এক নিৰ্বাচন’ প্ৰস্তাৱক অনুমোদন কেন্দ্ৰীয় কেবিনেটৰ



ৰঙিলী বাৰ্ত্তাসেৱা- শীঘ্ৰেই সমগ্ৰ দেশতে কাৰ্যকৰী হ’ব ‘এক দেশ, এক নিৰ্বাচন’ ব্যৱস্থা। বুধবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় কেবিনেটে ‘এক দেশ, এক নিৰ্বাচন’ ব্যৱস্থা কাৰ্যকৰী কৰাৰ লক্ষ্যৰে প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দ কমিটীৰ প্ৰতিবেদনত অনুমোদন জনাইছে। ‘এক দেশ, এক নিৰ্বাচন’ৰ উদ্দেশ্য হৈছে লোকসভা আৰু ৰাজ্যিক বিধানসভাসমূহৰ নিৰ্বাচনক একক অনুসূচীৰ সৈতে একত্ৰ কৰা। সংসদৰ আগন্তুক শীতকালীন অধিৱেশনত ‘এক দেশ, এক নিৰ্বাচন’ বিধেয়ক উত্থাপন কৰাৰ সম্ভাৱনা আছে।উল্লেখ্য যে, ‘এক দেশ, এক নিৰ্বাচন’ ব্যৱস্থা কাৰ্যকৰী কৰিবলৈ প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ নেতৃত্ব এখন কমিটী গঠন কৰিছিল কেন্দ্ৰীয় চৰকাৰে। এই কমিটীয়ে ‘এক দেশ, এক নিৰ্বাচন, ব্যৱস্থাৰ পক্ষত এই প্ৰতিবেদন দাখিল কৰিছে। আজি ৰামনাথ কোবিন্দ নেতৃত্বাধীন এই কমিটীৰ প্ৰতিবেদনত অনুমোদন দিলে নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ কেবিনেটে। ইয়াৰ পাছত এতিয়া এই ব্যৱস্থা কাৰ্যকৰী কৰিবলৈ পৰৱৰ্তী সংসদৰ শীতকালীন অধিবেশনত এই সংক্ৰান্তিয় বিল উত্থাপন কৰিবলৈ প্ৰস্তুতি চলাব কেন্দ্ৰীয় চৰকাৰে। উল্লেখ্য যে, স্বাধীনতা দিৱসৰ কাৰ্যসূচীত দেশবাসীক

# বংশৰত ভাগৱতাচাৰ্য বগাৰাম বৈশ্যৰ জন্মদিনত গ্ৰন্থ উন্মোচন



ৰঙিলী বাৰ্ত্তাসেৱা- বংশৰৰ অন্যতম বৰ্ষীয়ান ব্যক্তি সমাজসেৱী শ্ৰীবগাৰাম বৈশ্যৰ চৌৰান্নবৈ বৰ্ষত ভৰি দিয়াৰ উপলক্ষত তেখেতৰ জীৱন আধাৰিত এখনি আত্মকথা “এবাৰ উভতি চাওঁ” শীৰ্ষক গ্ৰন্থ যুটীয়া ভাবে উন্মোচন কৰে বিশিষ্ট শিক্ষাবিদ কামৰূপ একাডেমিৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত তিলক শৰ্মা আৰু আচাৰ্য শ্ৰীশ্ৰীসদানন্দ ব্ৰহ্মচাৰীদেৱে। শৰ্মাদেৱে উন্মোচনী ভাষণ প্ৰসংগত কয় যে আত্মজীৱনী এখনে কেইবাটাও প্ৰজন্মৰ মাজত যোগসূত্ৰ স্থাপন কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেইদৰে বিশিষ্ট সাহিত্যক,লেখক শ্ৰীনৃপেন কুমাৰ ভাগৱতীয়ে কই যে আত্মকথাত কেৱল নিজৰ কথাকে বৰ্ণনা নাথাকে। ইয়াত খোদিত হয় সেই সময়ছোৱাৰ আৰ্থসামাজিক, সাংস্কৃতিক, শৈক্ষিক, ৰাজনৈতিক পৰিবেশ আদি বিভিন্ন বাতাবৰণৰ এখন চাক্ষুস প্ৰতিচ্ছবি । সভাত উপস্থিত থকা বিশিষ্ট অতিথি সকলৰ ভিতৰত ভাষণ ৰাখে সৰ্বশ্ৰী ড° দেবেন্দ্ৰ নাথ দাস (সুদামা), অতুল মজুমদাৰ, তিলক চন্দ্ৰ গোস্বামী, কনকেশ্বৰ গোস্বামী, ধনপতি শইকীয়া, বসন্ত কুমাৰ দাস, ডাঃ কাৰ্তিক চন্দ্ৰ মেধি, প্ৰফুল্ল বৈশ্য, কনক দাস, দেবেন্দ্ৰ নাথ কাকতি, ৰঞ্জিত ডেকা প্ৰমুখ্যে ব্যক্তি সকলে। যাত্ৰা গ্ৰাম্য পুথিভঁৰাল, বংশৰৰ সহযোগত প্ৰকাশ হোৱা এই গ্ৰন্থখনে গাঁও খনৰ সামগ্ৰিক শৈক্ষিক পৰিবেশ উত্তৰণত এক বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি পুথিভঁৰালৰ প্ৰকাশন সচিব ৰবীন পাঠকে মন্তব্য প্ৰকাশ কৰে। শিক্ষক সনাতন বৈশ্যই এক সুৰুচীপূৰ্ণ পৰিবেশত এই উন্মোচনী সভাখনৰ আঁতধৰে। সভাৰ অন্তত পৰিয়াল বৰ্গৰহৈ শলাগৰ শৰাই আগবঢ়াই ইন্দ্ৰজিত বৈশ্যই।

# সমগ্ৰ ৰাজ্যৰ লগতে ডিব্ৰুগড়তো অৰুণোদয় ৩.০ আচঁনিৰ শুভ-উদ্বোধন



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দিছপুৰস্থিত লোকসেৱা ভৱনত অৰুণোদয় ৩.০ আচঁনিখনৰ শুভাৰম্ভ কৰাৰ লগে লগে সমগ্ৰ ৰাজ্যৰ লগতে ডিব্ৰুগড় জিলাতো অৰুণোদয় ৩.০ৰ শুভাৰম্ভ হয়। এই উপলক্ষে ডিব্ৰুগড় জিলা পুথিভঁৰালত অনুষ্ঠিত কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন। বিধায়ক ফুকনে আদৰণি ভাষণ আগবঢ়াই অসম চৰকাৰৰ এই ধ্বজ্জাবাহী আচঁনিখনৰ সম্পৰ্কে বিষদভাৱে আলোকপাত কৰাৰ লগতে সমাজৰ প্ৰতিগৰাকী যোগ্য হিতাধিকাৰীয়েই যাতে এই আচঁনিৰ সুফল লাভ কৰিব পাৰে সেয়া সুনিশ্চিত কৰিবলৈ আহ্বান জনায়। জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে অৰুণোদয় ৩.০ আচঁনিখন মহিলাৰ সৱলীকৰণ আৰু সামগ্ৰিক বিকাশৰ লক্ষ্যৰে এক পৰিৱৰ্তনশীল পদক্ষেপ বুলি উল্লেখ কৰে। এই অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত অনুপ কুমাৰ ব্ৰহ্ম, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ চৈকত পাত্ৰ, উপ-মেয়ৰ উজ্জ্বল ফুকন, ডিব্ৰুগড় পূব ৰাজহ চক্ৰৰ চক্ৰ বিষয়া সমুজ্জ্বল বৰা, বিশিষ্ট সমাজ কৰ্মী উজ্জ্বল কাশ্যপকে প্ৰমুখ্যে জিলা প্ৰশাসনৰ অন্যান্য বিষয়া-কৰ্মচাৰী আৰু স্থানীয় বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। আনহাতে, উক্ত কাৰ্য্যসূচীতে দিছপুৰস্থিত লোকসেৱা ভৱনত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা শুভাৰম্ভ কৰা অৰুণোদয় ৩.০ আচঁনিৰ সম্পূৰ্ণ কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰণ কৰা হয়। উল্লেখযোগ্য যে, খাদ্য সুৰক্ষা আইনৰ অধীনত নতুন ৰেচন কাৰ্ড প্ৰদান কৰাৰ অৰ্থে ১৯ লাখতকৈ অধিক নতুন হিতাধীকাৰীক নিৰ্বাচিত কৰাৰ কাৰ্যসূচীৰো মুখ্যমন্ত্ৰীয়ে শুভাৰম্ভ কৰে। আনহাতে, ডিব্ৰুগড় জিলাৰ চাবুৱা লাহোৱাল বিধানসভা সমষ্টি, দুলীয়াজান বিধানসভা সমষ্টি, নাহৰকটীয়া বিধানসভা সমষ্টি, খোৱাং বিধানসভা সমষ্টিৰ লগতে টিংখাং বিধানসভা সমষ্টিতো অৰুণোদয় ৩.০ আচঁনিৰ শুভাৰম্ভ কৰা হয়।

# দৰং জিলাতো অৰুণোদয় ৩.০ আঁচনিৰ শুভাৰম্ভ



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ আন ঠাইৰ লগতে দৰং জিলাতো অসম চৰকাৰৰ অভিলাষী আঁচনি অৰুণোদয় ৩.০ ৰ শুভাৰম্ভণি কৰা হয়। এই উপলক্ষে মঙলদৈৰ গান্ধী ময়দানত অনুষ্ঠিত হোৱা শুভাৰম্ভণি অনুষ্ঠানত উপস্থিত থাকি মঙলদৈৰ সমষ্টিৰ বিধায়ক বসন্ত দাসে কয় যে অৰুণোদয় এখন সৰ্ববৃহৎ আঁচনি। তেওঁ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ এই পদক্ষেপৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। বিধায়কগৰাকীয়ে যোগ্য হিতাধিকাৰীসকলে যাতে এই সুবিধা লাভ কৰে তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেয়ে কয় যে যিহেতু অৰুণোদয় আঁচনিৰ সুবিধা পাবলৈ হ'লে ৰেচন কাৰ্ড থকাটো বাধ্যতামূলক সেয়ে যিসকলৰ ৰেচন কাৰ্ড নাই তেওঁলোকক ৰেচন কাৰ্ডৰ বাবে প্ৰ-পত্ৰ পূৰণ কৰি জমা দিবলৈ কয়। অনুষ্ঠানত অসম ৰাজ্যিক মহিলা আয়োগৰ উপাধ্যক্ষা নিলীমা দেৱী আৰু বিশিষ্ট সমাজকৰ্মী অমৰেন্দ্ৰ শৰ্মায়ো ভাষণ প্ৰদান কৰে। উক্ত শুভাৰম্ভণি অনুষ্ঠানত মঙলদৈ পৌৰসভাৰ পৌৰপতি নিৰ্মালী

*(দহ পৃষ্ঠাত চাওক)*

# পুনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ বিশাল ফুকনক



ৰঙিলী বাৰ্ত্তাসেৱা- অনলাইন ট্ৰেডিঙৰ কোটি কোটি টকাৰ প্ৰৱঞ্চনাত অভিযুক্ত ২২ বছৰীয়া বিশাল ফুকনক ডিব্ৰুগড়ৰ জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতত হাজিৰ কৰোৱা হয়। বিশাল ফুকনক বুধবাৰে পুনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হৈছে। ডিব্ৰুগড়ৰ সত্ৰ ন্যায়াধীশৰ আদালতত হাজিৰ কৰোৱা হৈছিল বিশালক। আৰক্ষীয়ে পুনৰ ৫ দিনৰ জিম্মাত বিচাৰি কৰিছিল আবেদন। আদালতে আবেদন অগ্ৰাহ্য কৰি পুনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে বিশাল ফুকনক। যোৱা ৭ ছেপ্টেম্বৰৰ পৰা ডিব্ৰুগড় কাৰাগাৰত আছে বিশাল ফুকন।

# সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকৰ দায়িত্ব চৰ্জুন হান্সেক



ৰঙিলী বাৰ্ত্তাসেৱা- সদৌ অসম ছাত্ৰ সন্থাৰ এখন জৰুৰী ৰাজ্যিক কাৰ্যনিবাহক সভাখন গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদৰ মুখ্য কাৰ্যালয়ত সভাপতি উৎপল শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হয়। উক্ত সভাই ছাত্ৰ সন্থাৰ স্থায়ী সম্পাদক নিৰ্বাচিত নোহোৱা পৰ্যন্ত সহকাৰী সাধাৰণ সম্পাদক চৰ্জুন হান্সেক ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদকৰ দায়িত্ব অৰ্পন কৰে। অহা চাৰিমাহৰ ভিতৰত সন্থাৰ হ'বলগীয়া সাধাৰণ সভাত ছাত্ৰ সন্থাৰ স্থায়ী সাধাৰণ সম্পাদক নিৰ্বাচন কৰা হ'ব। এই চাৰিমাহ চৰ্জুন হান্সেই ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদকৰ দায়িত্ব পালন কৰিব। চৰ্জুন হান্সেৰ ঘৰ কাৰ্বি আংলংত। প্ৰথম গৰাকী কাৰ্বি জনগোষ্ঠীৰ সন্তানে লাভ কৰিলে ছাত্ৰ সন্থাৰ মুখ্যপদ। ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই সাংবাদিকৰ আগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়- অহা ৪ মাহৰ পিছত সাধাৰণ সভা অনুষ্ঠিত হ'ব। সাধাৰণ সভা নোহোৱা পৰ্যন্ত চৰ্জুন হান্সেই দায়িত্বভাৰ চলাই নিব। শংকৰজ্যোতি বৰুৱাৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰিলে কাৰ্যনিৰ্বাহক সভাই। শংকৰজ্যোতি বৰুৱাৰ ঘটনাটোৰ তদন্ত কৰিবলৈ ১০ জনীয়া সমিতি গঠন কৰি দিছে কাৰ্যনিৰ্বাহকে। সামাজিক মাধ্যমত ছাত্ৰ সন্থাৰ মাজত ভাঙোন অনাৰ চেষ্টা কৰা বিষয়টোতো তদন্ত কৰিব এই সমিতিয়ে। শংকৰ বৰুৱাই ছাত্ৰ সন্থাৰ কৰ্মী সকলৰ মাজত ভাঙোন আনিবলৈ চেষ্টা কৰাৰো অভিযোগ আহিছিল। সংগঠনটোৰ স্বাৰ্থত প্ৰতিবেদনৰ পিছত কিছু সিদ্ধান্ত গ্ৰহণ কৰিব।

# ৰাইজৰ দলত যোগদান



ৰঙিলী বাৰ্ত্তাসেৱা- "নতুন প্ৰজন্মই শক্তিশালী কৰিব আঞ্চলিক ৰাজনৈতিক শক্তিক। আঞ্চলিক শক্তিয়ে সমৃদ্ধ কৰিব জাতি-ভেটি, ভাষা-সংস্কৃতি আৰু অৰ্থনীতি" ৰাইজৰ দলৰ মুখ্য কাৰ্যালয়ত জাতীয় যুৱ বাহিনীৰ এক যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। উক্ত যোগদান কাৰ্যসূচীতেই গুৱাহাটী বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয়, গুৱাহাটী কমাৰ্চ কলেজ, লখিমপুৰ কমাৰ্চ কলেজৰ একাধিক প্ৰাক্তন আৰু বৰ্তমান অধ্যয়নৰত ছাত্ৰ সমাজে যোগদান কৰে। বীৰ লাচিত সেনা, ভাৰতীয় জনতা যুৱ মৰ্চাকে ধৰি বিভিন্ন সংগঠন ত্যাগ কৰি শতাধিক যুৱ সমাজে জাতীয় যুৱ বাহিনীত যোগদান কৰে। ৰাইজৰ দলৰ সাধাৰণ সম্পাদক আজিজুৰ ৰহমান, জাতীয় যুৱ বাহিনীৰ সভাপতি লক্ষজ্যোতি গগৈ, উপ-সভাপতি ৰাতুল ৰয়, নাৰী বাহিনীৰ সাধাৰণ সম্পাদিকা মমী ৰায় চৌধুৰীকে ধৰি কেন্দ্ৰীয় নেতৃত্বৰ উপস্থিতিত যোগদান কৰে ৰাইজৰ দলত।

# ৰাহুল গান্ধীক হত্যাৰ ভাবুকি দিয়া বিজেপি নেতাৰ প্ৰতিকৃতি দাহেৰে গুৱাহাটীত প্ৰদেশ কংগ্ৰেছৰ উত্তাল প্ৰতিবাদ

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাহুল গান্ধীৰ বিৰুদ্ধে বিৰূপ মন্তব্য প্ৰদান কৰি হত্যাৰ ভাবুকি দিয়া বিজেপি আৰু শিৱসেনাৰ সিন্ধে গোটৰ নেতাক গ্ৰেপ্তাৰৰ দাবীত সমগ্ৰ দেশৰ লগতে গুৱাহাটী মহানগৰীতো কংগ্ৰেছে উত্তাল প্ৰতিবাদ জনায়। গুৱাহাটীৰ মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সৰ সমুখত প্ৰাক্তন সাংসদ আব্দুল খালেক, মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ, জ্যেষ্ঠ নেতা ৰামান্না বৰুৱা, গুৱাহাটী মহানগৰ জিলা কংগ্ৰেছৰ সভাপতি গোপাল শৰ্মা, মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা প্ৰমুখ্যে কংগ্ৰেছ নেতা-কৰ্মীসকলে বিজেপিৰ অগণতান্ত্ৰিক কাৰ্যৰ প্ৰতিবাদ জনাই ৰাজপথ উত্তাল কৰি তোলে। ৰাজ্যৰ ৰাজধানী গুৱাহাটীত কেইবা শতাধিক কংগ্ৰেছ নেতা-কৰ্মীয়ে বিজেপিৰ বিৰুদ্ধে শ্ল'গান দি পৰিস্থিতি উত্তপ্ত কৰি তোলে। ক্ষোভিত প্ৰতিবাদী কংগ্ৰেছীসকলে বিজেপি হায়ঃ হায়ঃ, বিজেপিৰ গুণ্ডাগিৰি নচলিব, ৰাহুল গান্ধীক সুৰক্ষা দিয়ক আদি শ্ল'গান দিয়া পৰিলক্ষিত হয়। লাষ্টগেটৰ বিধায়ক আৱাসৰ সমীপৰ মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সত



অসম প্ৰদেশ মহিলা কংগ্ৰেছ, গুৱাহাটী মহানগৰ জিলা কংগ্ৰেছৰ উদ্যোগত প্ৰতিবাদ সাব্যস্ত কৰে কংগ্ৰেছ নেতা-কৰ্মীয়ে। প্ৰতিবাদী কংগ্ৰেছ নেতা-কৰ্মীসকলে ৰাহুল গান্ধীক লৈ বিৰূপ মন্তব্য কৰা কেন্দ্ৰীয় মন্ত্ৰী ৰৱনীত সিং বিট্টুৰ প্ৰতিকৃতি দাহ কৰে আৰু শীঘ্ৰে গ্ৰেপ্তাৰৰ দাবী জনায়। ৰাহুল গান্ধী আৰু কংগ্ৰেছক লৈ বিৰূপ মন্তব্য কৰা বিজেপি নেতা তৰবিন্দৰ সিং মাৰৱাহ, ৰঘুৰাজ সিং, শিৱসেনাৰ বিধায়ক সঞ্জয় গায়কৱাড়, অনিল বণ্ডকো গ্ৰেপ্তাৰৰ দাবী জনায় প্ৰতিবাদকাৰী কংগ্ৰেছ নেতা-কৰ্মীসকলে। গুৱাহাটীৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্ততো কংগ্ৰেছী নেতা-কৰ্মীসকলে ৰাহুল গান্ধীক বিজেপি নেতা একপ্ৰকাৰ প্ৰাণে মৰাৰ ভাবুকি দিয়া কাৰ্যৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে।

# ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত অত্যাধুনিক মৰণোত্তৰ গৃহ উদ্বোধন



ৰঙিলী বাৰ্তাসেৱা- অসম চিকিৎসা মহাবিদ্যালয়ৰ বহু প্ৰতীক্ষিত নতুন অত্যাধুনিক সা-সুবিধাযুক্ত মৰণোত্তৰ গৃহটি ১৭ ছেপ্টেম্বৰত শুভ উদ্বোধন কৰা হয়। এএমচিএইছ-ভিছন-৫ আচনিৰ অধীনত প্ৰায় ৪ কোটি ৪৭ লাখ টকাৰে নিৰ্মাণ কৰা উক্ত গৃহটি ফৰেণচিক মেডিচিন বিভাগৰ মুৰব্বী অধ্যাপিকা ডাঃ ৰেণুকা ৰংফাৰ্পিৰ উপস্থিতিত উদ্বোধন কৰি চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতিয়ে ৰাইজৰ সেৱাৰ বাবে আগবঢ়াই দিয়ে। উল্লেখযোগ্য যে প্ৰতি বছৰে অসম চিকিৎসা মহাবিদ্যালয়ত ১,৮০০ ৰপৰা ২, ০০০ টা পৰ্যন্ত মৃতদেহৰ পোষ্টমৰ্টেম কৰা হয়। ইয়াৰোপৰি ফৰেণচিক মেডিচিন বিভাগত যৌন অপৰাধৰ দোষী তথা ভুক্তভোগীক কিশোৰ অপৰাধী (Juvenile) আদালতে বয়সৰ বাবে প্ৰেৰণ কৰা কিশোৰ কিশোৰীৰ আৰু ভাৰতীয় খেল প্ৰাধিকৰণে (ছাই) প্ৰেৰণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ সম্পূৰ্ণ বিনামূলীয়াকৈ পৰীক্ষা কৰা হয়। এইসমূহ পৰীক্ষাৰ উপৰিও ডি.এন.এ. পৰীক্ষাৰ প্ৰাৰম্ভিক (দহ পৃষ্ঠাত চাওক)

# মহিলা প্ৰাৰ্থীক তালাচীৰ বাবে তৈয়াৰ কৰা হ'ব SOPঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্তাসেৱা- দেওবাৰে অনুষ্ঠিত হোৱা তৃতীয় বৰ্গৰ লিখিত পৰীক্ষাত তালাচীৰ নামত যুৱতীক আতিশয্যৰ অভিযোগ। নলবাৰীৰ এটি পৰীক্ষা কেন্দ্ৰত তালাচীৰ নামত নিৰ্যাতনৰ অভিযোগৰ পিছতে তৎপৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। মুখ্যমন্ত্ৰীগৰাকীয়ে পৰৱৰ্তী সময়ত হ'বলগীয়া পৰীক্ষা কেইটাত মহিলা প্ৰাৰ্থীৰ তালাচীৰ ক্ষেত্ৰত এছ অ' পি প্ৰস্তুত কৰা হ'ব বুলি ঘোষণা কৰিছে। ADRE পৰীক্ষা সন্দৰ্ভত সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, "কালি যুৱক-যুৱতীসকলে খুব আশাৰে বৈ থকা ADRE ৰ প্ৰথমটো পৰীক্ষা সফলতাৰে অনুষ্ঠিত হয়। ইয়াৰ মাজতে এটা অতি স্পৰ্শকাতৰ অভিযোগ উত্থাপন হৈছে। নলবাৰীৰ এটি পৰীক্ষা কেন্দ্ৰত এগৰাকী ছাত্ৰীয়ে প্ৰৱেশ কৰাৰ পূৰ্বে এগৰাকী মহিলা কনিষ্টবলে ছাত্ৰীগৰাকীৰ ব্যক্তিগত অংশত তালাচী চলোৱাৰ অভিযোগ উত্থাপন হৈছে। বিষয়টো চিন্তনীয় আৰু সেইবাবে এই ঘটনা সন্দৰ্ভত অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানৰ সৈতে কথা পাতি সমগ্ৰ ঘটনাটোৰ তদন্ত কৰিবলৈ নিৰ্দেশনা প্ৰদান কৰিছো।" মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, "মোৰ তথা এখন সমাজৰ বাবে আমাৰ মাতৃ-ভগ্নীসকলৰ মৰ্যাদা আৰু সন্মান সৰ্বোচ্চ গুৰুত্বপূৰ্ণ। উত্তৰ লখিমপুৰত সংঘটিত আন (দহ পৃষ্ঠাত চাওক)

# তৃতীয় বৰ্গৰ লিখিত পৰীক্ষা দিবলৈ গৈ কৰুণ মৃত্যুক আঁকোৱালি ল'লে যুৱতীয়ে



ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যজুৰি দেওবাৰে অনুষ্ঠিত হৈ গ'ল অসম চৰকাৰৰ তৃতীয় বৰ্গৰ পদৰ বাবে লিখিত পৰীক্ষা। ১১ লাখতকৈও অধিক যুৱক-যুৱতীয়ে আবেদন কৰা এই নিযুক্তি পৰীক্ষা ২৮ খন জিলাৰ মুঠ ২৩০৫ টা কেন্দ্ৰত অনুষ্ঠিত হয়। কিন্তু ইয়াৰ মাজতে ডিব্ৰুগড়ত মৰ্মান্তিক ঘটনা। পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ গৈ থাকোতে কৰুণ মৃত্যুক আঁকোৱালি ল'লে এগৰাকী মেধাৱী যুৱতীয়ে। টিংখাং মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী পৱশ্ৰী গগৈয়ে আঁকোৱালি ল'লে কৰুণ মৃত্যুক। চাচনী দেওঘৰীয়া গাঁও নিবাসী পৱশ্ৰী গগৈ। ADREৰ তৃতীয় বৰ্গৰ লিখিত পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ ডিব্ৰুগড়লৈ গৈ আছিল পৱশ্ৰী আৰু সেই সময়তে এক পথ দুৰ্ঘটনাত পতিত পৱশ্ৰী গগৈ। দুৰ্ঘটনাত পতিত হৈ কৰুণ মৃত্যুক আঁকোৱালি ল'লে যুৱতীগৰাকীয়ে। নিযুক্তি পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ গৈ অকালতে প্ৰাণ হেৰুওৱা ছাত্ৰীগৰাকীৰ পৰিয়ালত এতিয়া শোকাকুল পৰিৱেশে বিৰাজ কৰিছে।

# বিশিষ্ট শিল্পী দিগেন মহন্তৰ দেহাৱসান



ৰঙিলী বাৰ্তাসেৱা- বিশ্বকৰ্মা পূজাৰ আনন্দ, উল্লাসৰ মাজতে ৰাজ্যৰ সাংস্কৃতিক জগতলৈ এক দুখৰ খবৰ। বিশিষ্ট সংগীত শিল্পী দিগেন মহন্ত আৰু নাই। গণ শিল্পী খগেন মহন্তৰ কনিষ্ঠ ভাতৃ দিগেন মহন্ত আছিল এগৰাকী আকাশবাণীৰ প্ৰথম শ্ৰেণীৰ শিল্পীৰ লগতে গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰো শিল্পী আছিল। নিশা প্ৰায় ৮ বজাত শেষ নিশ্বাস ত্যাগ কৰে কণ্ঠশিল্পীগৰাকীয়ে। দিগেন মহন্তই এগৰাকী সংবেদনশীল গায়ক, সুৰকাৰ, সংগীত পৰিচালক, সংগীতজ্ঞ হিচাপেও জনতাৰ হৃদয় জিনিবলৈ সক্ষম হৈছিল। হাৰমনিয়াম, একৰ্ডিয়াম, তবলা, ঢুলুকী আদি বাদ্যযন্ত্ৰটো সুৰৰ ৰাগিনী তুলি সংগীতপ্ৰেমীসকলক মোহাচ্ছন্ন কৰি ৰাখিছিল। মহন্তৰ সুমধুৰ কণ্ঠত নিগৰিত 'অ' শৰতৰ শেৱালি, 'তুমি ৰোৱা সৌ শেৱালি জুপি', 'বতাহ লাগি ইচাট্ -বিচাট', 'প্ৰথম প্ৰেমৰ উন্মেষ', 'এই মাটি মোৰ দেহৰ এফাল', 'মোক এজন বন্ধু লাগে', 'ইফালে জ্বলিছে জুই' আদিকে ধৰি কালজয়ী গীত সমূহে শ্ৰোতাক সম্মোহিত কৰি ৰাখিছিল। দৰ্শক শ্ৰোতাৰ মনত সুগন্ধি সুবাস বিলোৱা তেওঁ আছিল এজন চিৰসুন্দৰৰ সাধক। 'মেঘমুক্তি' আৰু 'মইনাজান' নামৰ জনপ্ৰিয় বোলছবিত পৰিবাৰ (দহ পৃষ্ঠাত চাওক)

# মাজুলীত বিশ্ব অ'জন দিৱস উদযাপন



ৰঙিলী বাৰ্তাসেৱা- মাজুলী বন বিভাগ আৰু চাইন্স ফৰ চ'চিয়েল ৰেলফেয়াৰ অসমৰ উদ্যোগত ৰঙাচাহী গাঁও পঞ্চায়তৰ প্ৰেক্ষাগৃহত বিশ্ব অ'জন দিৱস উদযাপন কৰা হয়। নেতাজী সুভাষ চন্দ্ৰ বসু আবাসীক বিদ্যালয়ৰ ছাত্ৰী সকল, গাঁও পঞ্চায়তৰ বিষয়-ববীয়া আৰু আঞ্চলিক ৰাইজ উপস্থিত থাকে এই সজাগতা সভাখনিত। সভাখনি সভাপতিত্ব কৰে গাঁও পঞ্চায়তৰ সমন্বয়ক পাপু দাসে। সভাৰ উদ্দেশ্য ব্যাখ্যা কয় আঞ্চলিক বন বিষয়া অতুল দাসে অ'জন দিৱস সম্পৰ্কত চমু বক্তৃতা আগবঢ়াই চাইন্স ফৰ চ'চিয়েল ৰেলফেয়াৰ অসমৰ কাৰ্যকৰী সদস্য জয়ন্ত মাধৱ কলিতাই। এই সভাতে ছাত্ৰ ছাত্ৰীৰ বাবে অতিকৈ উপযোগী বিশেষ বক্তৃতা প্ৰদান কৰে মাজুলী জিলা বন প্ৰাধিকাৰী জয়ৰাম বৰুৱাই। সমজুৱা একেষাৰ কয় পঞ্চায়তৰ বিনয় মিলিয়ে। শলাগৰ শৰাই আগবঢ়াই আঞ্চলিক বন বিষয়া অতুল দাসে। ইফালে মাজুলীৰ প্ৰায় ৩৫ খন বিদ্যালয়ৰ ইকো' ক্লাৱত মাজুলী জিলা Environment Education প্ৰগ্ৰেমৰ জিলা নোডেল এজেঞ্চি উজনি মাজুলী আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত বিশ্ব অ'জন দিৱস পালন কৰে। উজনি মাজুলী আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক জয়ন্ত মাধৱ কলিতাই সকলো বিদ্যালয় ইকো' ক্লাবক ধন্যবাদ জনায় শলাগ লয়। মাজুলীৰ এখন এখন আগশাৰীৰ শিক্ষানুষ্ঠান জেংৰাইমুখ মহাবিদ্যালয়তো উলহ মালহেৰে বিশ্ব অ'জন দিৱস উদযাপন কৰা হয়।

ধাৰাবাহিক গল্প

# এজন পাগল

শৈলেন কুমাৰ,মিৰ্জা



**খণ্ড ১**

চাৰিওপিনে চিঞৰৰ বাখৰ সেইখন এখন মানসিক চিকিৎসালয়, মানসিক ৰোগীবোৰৰ বিভিন্ন অংগী ভংগী দেখিবলৈ পোৱা গৈছে। তেনেতে চিঞৰবোৰ স্তব্ধ হৈ পৰিছে হুইল শ্বেয়াৰত হাতত এটা হাতুৰী লৈ অবিনাশ আহিছে। মুখত তাৰ স্পষ্টকৈ দেখা পোৱা গৈছে তাৰ ভিতৰত চলি থকা ক্ষোভবোৰ আৰু অতীতৰ সেই কাল অমানিশা, কালসন্ধ্যাৰ জুই । আজি তাক সকলোৱে এজন পাগল বুলি জানে। সি কিয় পগলা হ'ল ? তাৰ ৰহস্য জানিবলৈ আমি তাৰ অতীত খুচৰিব লাগিব। অবিনাশৰ দেউতাক এজন সৎ আদৰ্শবাদী ব্যক্তি আছিল। অন্যায়, অসত্য, অধৰ্ম তেখেতৰ মুঠেই প্ৰিয় নাছিল। মাঁক তেনেই সাধাৰণ চিন্তাধাৰাৰ এজনী ঘৰুৱা কামকাজী মহিলা। ভনীয়েক লভিতা স্নাতকোত্তৰ ডিগ্ৰী লৈ টিউচন কৰি নিজৰ হাত খৰচ উলিয়াই থাকে। অবিনাশে ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠান এটাত কৰ্মৰত। পৰশুৰাম চৌধুৰী এজন কুখ্যাত ভ্ৰষ্টাচাৰী টকাৰ গৰমত বলীয়ান এজন ঠিকাদাৰ। অভাৱগ্ৰীজৰ ঠিকাটো সি এইবাৰ যিকোনো পথেই লবলৈ মন মেলিছে। কিন্তু তাৰ সেই কামনাৰ বাধা স্বৰূপে হেঙাৰ হৈছে অবিনাশৰ দেউতাক সত্যব্ৰত বৰুৱা। সত্যব্ৰতে ফাইলত চহী কৰিলেহে সি কামটো পাবলৈ সক্ষম হব । তাতে আৰু সেই কামটোৰ লগত বহু বিয়াগোম নেতামন্ত্ৰীৰ কমিচন জড়িত হৈ আছে । সত্যব্ৰতে জানে যদি ফাইলত চহী হয় তেতিয়া ফ্লাইঅভাৰখন ভাঙি পৰিব আৰু বহু নীৰিহ মানুহ নিহত হ'ব। ইতিমধ্যে বহু প্ৰলোভন দিয়াৰ পাছতো সত্যব্ৰত বৰুৱা মান্তি হোৱা নাই। অৱশেষত প্ৰাণেমৰাৰ ভাবুকি প্ৰদান সত্যব্ৰত বৰুৱাক। তাৰপাছত কিছুদিন যোৱাৰ পাছত সত্যব্ৰত বৰুৱা অফিচৰ পৰা ঘৰমুখী হৈছে। তেনেতে দুৰ্বৃত্তৰ দ'ল এটাই তেখেতক বাট আগছি ধৰিছে, সিহঁতক সত্যব্ৰত বৰুৱাৰ চহী লাগে ফাইলত, যিকোনো প্ৰকাৰে। তেনেকৈ টনা আঁজোৰা চলি থকা সময়ত লভিতা পথৰ ইটো মূৰৰ পৰা আহিছে আৰু সমস্ত ঘটনাৰ প্ৰত্যক্ষদৰ্শী হৈছে। যেতিয়া লভিতাই দুৰ্বৃত্তৰ দ'লটোক প্ৰশ্ন কৰিলে মোৰ দেউতাক কিয় মাৰিছা বুলি তেতিয়া দুৰ্বৃত্তৰ দ'লটোৱে হিংস্ৰ পশুৰ দৰে লভিতাৰ ওপৰত জপিয়াই পৰিছে। নিজৰ জীয়ৰীৰ সতীত্ব হানি হোৱাৰ শংকাত অৱশেষত সত্যব্ৰত বৰুৱাই ফাইলত চহী কৰিবলৈ মান্তি হ'ল । ফাইলত চহী হোৱাত আক্ৰমণকাৰী দুৰ্বৃত্তৰ দ'লটোৱে চোকা অস্ত্ৰৰে সত্যব্ৰত বৰুৱাক আঘাত কৰি পথৰ দাঁতিত পেলাই, লভিতাৰ ওপৰত জপিয়াই পৰিলে, তাই সহায়ৰ বাবে কেৱল চিঞৰিছে। তাইৰ এই অসহায় অৱস্থাৰ সাক্ষী আজি কালৰাত্ৰিৰ জংঘলৰ কণকণ নিৰৱতা ।

আগলৈ.....

# শৈশৱ

ৰিজু কাকতি, গুৱাহাটী




শৈশৱৰ ভাটি বেলাত
ওভতনি সোঁতত
উটি ভাঁহি
নিজকে বিচাৰি ফুৰিছো ।
মুঠিয়ে মুঠিয়ে বুটিলিছো
ৰূপোৱালী বালি ।
শিঙৰি কাঁইটে
ৰক্তাক্ত কৰিলে দুহাত মোৰ ।

যোৱাখণ্ডৰ পৰা...

# ঐতিহ্য, উৎস আৰু বিস্তাৰ

জ্যোতি খাটনিয়াৰ



প্ৰতিটো বক্তৃতাৰেই পৰিসৰ বেলেগ বেলেগ। ইয়াৰ প্ৰথমটো বক্তৃতাত তেওঁ ভাৰতীয় সংস্কৃতিৰ সমৃদ্ধকৰণত অসমীয়া সংস্কৃতিৰ ভূমিকা তথ্য আৰু যুক্তি সহকাৰে আলোচনা কৰিছে। কুমাৰ ভাস্কৰ বৰ্মা, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, একশৰণ বৈষ্ণৱ ধৰ্ম, দেওপানীৰ হাবিৰ মাজত পোৱা কীৰ্তিমুখ আৰু ইণ্ডোনেছিয়াৰ কীৰ্তিমুখৰ সাদৃশ্য, নীলাচলত পোৱা বেণুগোপাল মূৰ্তি (“A rare specimen of ana-tomical perfection.” - T Ramachandran) ইত্যাদি বহু বিষয় ড° নেওগে অতি সযতনে এই বক্তৃতাত অসমীয়া সংস্কৃতিৰ ভাৰতলৈ অৱদান বুলি সামৰি লৈছে। একেদৰে অসমৰ ধৰ্মৰ বুৰঞ্জী বক্তৃতাত তেওঁ অসমীয়া মানুহৰ ধৰ্মীয় চেতনাৰ বিভিন্ন উৎসৰ সন্দৰ্ভত চালি জাৰি চাইছে। অসমৰ জনজাতীয় সমাজত আদিম ধৰ্ম বিশ্বাসকো ইয়াত তেওঁ বাদ দিয়া নাই। কাৰ্বি, বড়ো, তিৱা, মিচিং, খাছী, দেউৰী, চুতীয়া, নগাভূমি আৰু অৰুণাচলৰ ধৰ্মীয় চেতনাবোৰকো তেওঁ চাব খুজিছে। তেওঁৰ এই চেতনা নিৰপেক্ষ গৱেষণা আৰু উদাৰ মানৱতাবাদৰ চেতনা। আজান ফকীৰেও তাত শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰিছে: “দিখৌ নৈৰ কাষৰি/ শৰাগুৰি চাপৰি/ ৰজাই বান্ধি দিয়া মঠ।/ ছকুৰি ভকতে/ লয় আল্লাৰ নাম/ মাদুৰি বনৰে কঠ।” লক্ষণীয় যে এই বক্তৃতাত ড° নেওগে সমন্বয়ৰ ধাৰণাটোকে আগত ৰাখিছে।

ড°নেওগৰ এটা তাৎপৰ্যপূৰ্ণ নিবন্ধ হ'ল নীলাচল তাম্ৰপত্ৰ সম্পৰ্কে। ১৯৬৬ চনৰ জুনত উদ্ধাৰ হোৱা এই প্ৰশস্তিখনত তিনিখন তামৰ ফলি পোৱা যায়। ড°নেওগৰ মতে এই প্ৰশস্তিখন কৌতুহল জনক, কিন্তু ইয়াৰ ব্যাখ্যা সহজ নহয়। অধ্যাপক অশোক কুমাৰ গোস্বামীয়ে উল্লেখ কৰিছে যে ড°নেওগে এই ফলিখনৰ পাঠ বিশ্লেষণাত্মক সমালোচনাৰে আগবঢ়াইছে। ইয়াত সেই সময়ৰ ধৰ্মীয় বিশ্বাস, ৰাজহ ব্যৱস্থাৰ কথা আছে। ইয়াৰ বাহিৰেও অসমীয়া লিপিৰ বিকাশৰ সৈতেও এই ফলিখনৰ সম্পৰ্ক আছে। লগতে ভূমি ব্যৱস্থা সম্পৰ্কেও কিছু কথা জানিব পৰা যায়। ড° নেওগৰ এই আলোচনা অসমৰ সাংস্কৃতিক ইতিহাসৰ ছাত্ৰৰ বাবে আগ্ৰহৰ বিষয় বুলি অধ্যাপক গোস্বামীয়ে মত প্ৰকাশ কৰিছে। ড° বীৰেন্দ্ৰনাথ দত্ত আৰু অধ্যাপক ৰঞ্জিৎ কুমাৰ দেৱগোস্বামীৰ মহেশ্বৰ নেওগৰ সৈতে কথোপকথন শীৰ্ষক এক মূল্যবান সাক্ষাৎকাৰত “গৱেষণা সমিতি এখনেই মোৰ লগে লগে ঘূৰি ফুৰিছিল” বুলি ড° নেওগে এক মন্তব্য কৰিছে। এইটো এটা অতি শক্তিশালী উপলব্ধি আৰু প্ৰসংগ। এজন মানুহ পাণ্ডিত্যৰ কি পৰ্যায়ত উপনীত হলে এনেকুৱা ধৰণৰ কথা ক'ব পাৰে, সেয়া সহজেই অনুমান কৰিব পাৰি। পুত্ৰ প্ৰণৱস্বৰূপ নেওগে উল্লেখ কৰা অধ্যাপক অতুলচন্দ্ৰ হাজৰিকাৰ এক মন্তব্যও বেছ প্ৰাসংগিক: “ আমি যেনেকৈ ফাঁচিবজাৰলৈ যাওঁ, নেওগ তেনেকৈ দিল্লীলৈ যায়। উদ্দেশ্য হ'ল অধ্যয়ন, গৱেষণা আৰু অসমৰ সাংস্কৃতিক সম্পদ আৰু বৌদ্ধিক শক্তিক জাতীয় স্তৰত প্ৰতিষ্ঠা কৰা। ভাবি ভাল লাগে যে এই জ্ঞান আৰু কৰ্মযোগী মানুহজন আছিল এজন মুকলি মনৰ মানুহ। তেওঁৰ বন্ধুৰ তালিকাত আছিল কপিলা ৰাৎসায়ন, অধ্যাপক বাসুদেৱ শৰণ আগৰৱাল, অধ্যাপক মতিচন্দ্ৰৰ দৰে বিদ্বান লোক(মতিচন্দ্ৰৰ ৫০০০ Years of Indian Art, ১৯৪৮ আৰু অধ্যাপক আগৰৱালৰ Narayana as the Ocean নামৰ প্ৰবন্ধ দুটাৰ প্ৰভাৱ ড° নেওগৰ আলোচনাত আগ্ৰহী গৱেষকসকলে বিচাৰি চাব পাৰে)। বিখ্যাত কবিতা সংকলন ‘সঞ্চয়ন'ৰ পাতনিখনে ড°নেওগৰ শক্তিশালী সমীক্ষাত্মক দৃষ্টিকোণক তুলি ধৰিছে। জীৱনৰ একেবাৰে শেষৰফালে তেওঁৰ জন্মদিনত (৭ ছেপ্টেম্বৰ, ১৯৯৪) কন্যা স্নিগ্ধামালতীক শ্ৰুতলিপি দি তেওঁ এটা কবিতা লিখিছিল: “পথৰ দাঁতিৰ জৰী গছজোপা/ তাৰ তলতে খন্তেক জিৰাওঁ/তাৰ কুঁহি কুঁহি পাতৰ তলত/ তোমাৰ বাতৰি কোঁৱা-/ নতুন জীৱনৰ বাতৰি কোঁৱা- মোৰ ভাগৰ লাগিছে/ তোমাৰ বাতৰি কোঁৱা”।

ড° মহেশ্বৰ নেওগ ভাগৰে চুব নোৱাৰা ঠাইলৈ কাহানিবাই আঁতৰি গৈছে। তেওঁৰ জীৱন আৰু কৰ্মই অহৰহ প্ৰেৰণা আৰু অনেক অৰ্থবহ বাতৰি আমাক দিছে। এই বাতৰিৰ মৰ্মবাণী আমি শুনা উচিত ; আৰু শুনাৰ বাবে প্ৰয়োজনীয় সামৰ্থ্য অৰ্জন কৰাৰ প্ৰচেষ্টাও চলোৱা উচিত। কাৰণ ড° বাণীকান্ত কাকতিয়ে ক'বৰ দৰে ভীমৰ গদা ডাঙিবলৈ হ'লে আগেয়ে ভীমৰ বল অৰ্জন কৰিব লাগিব। ড° নেওগে এই বল অৰ্জন কৰিছিল আৰু আটাইতকৈ ডাঙৰ কথা, আনে কেনেকৈ এই বল অৰ্জন কৰিব, তাৰ খবৰ তেওঁ নিজৰ আত্মজীৱনী ‘জীৱনৰ দীঘ আৰু বাণি' ত দি গৈছিল। মানুহৰ অনন্ত জ্ঞান প্ৰবাহৰ ড° মহেশ্বৰ নেওগ এক নিভাঁজ আৰু প্ৰেৰণাময় ৰূপ।

# দক্ষতা




মুনিন্দ্ৰ বৈশ্য, ওদালগুৰি

হোটেল-ৰেস্তোৰাঁ বিলাকত মানুহে ভিৰ কৰে প্ৰধানতঃ তাৰ খাদ্যবস্তুৰ উচ্চ মানদণ্ডৰ কাৰণে। কেতিয়াবা দেখা যে এখন সাধাৰণ হোটেলতো পৰ দি বাট নোপোৱা অৱস্থা হয় কেৱল তাত উপলব্ধ সুমিষ্ট খাদ্যসম্ভাৰৰ বাবে। এনে হোটেল-ৰেস্তোৰাত এসাজ খাই মানুহে পৰিতৃপ্তি লাভ কৰে। ফলত সেই নিৰ্দিষ্ট হোটেল বা ৰেস্তোৰাঁখনৰ নাম সকলোৰে মুখে মুখে ঘূৰি ফুৰে। লগতে চৰ্চা হয় হয় মালিকৰ নাম। বেছি সংখ্যক গ্ৰাহকৰে বিচাৰি হ'লেও মালিকজনৰ লগত চিনাকি হৈ ধন্যবাদ জনোৱাৰ কথা মনলৈ আহে, কিন্তু মনলৈ নাহে তাৰ ৰান্ধনীজনৰ কথা। যি খাদ্যসম্ভাৰৰ বাবে হোটেল বা ৰেস্তোৰাঁৰ নাম জনাজাত হৈ পৰে তাৰ নেপথ্যত থাকে ৰান্ধনীৰ অৱদান, কিন্তু নাম হয় মালিকৰ। অথচ মালিকে সুস্বাদু ব্যঞ্জন ৰান্ধিবই নাজানে। সুস্বাদু কিয়, হয়তো ফিকা চাহ একাপো পাগিব নাজানিব পাৰে। কিন্তু তেওঁৰ নামহে কেউপিনে বৈ বৈ যায়। যিগৰাকী দক্ষ ৰান্ধনীৰ ৰন্ধন প্ৰণালীয়ে তেওঁৰ হোটেল বা ৰেস্তোৰাঁখনক বিখ্যাত কৰি তুলিছে, তেৰেঁই কিন্তু মানুহৰ দৃষ্টি আকৰ্ষণ কৰিব নোৱাৰে। ফলত তেওঁ আজীৱন পৰ্দাৰ আঁৰতেই থাকি যায় এটা তেনেই সাধাৰণ শৈলীৰে জীৱন নিৰ্বাহ কৰি। বিপৰীতে দোপত দোপে উঠি যায় মালিকজন।

সেইদৰে স্কুল এখনৰ মানদণ্ড নিৰূপণ হয় শিক্ষাৰ্থীসকলে পৰীক্ষাত দেখুওৱা ফলাফলৰ ওপৰত। এটা অভাৱনীয় ফলাফল দেখুওৱাৰ লগে লগে শিক্ষানুষ্ঠানখনৰ চাহিদা ভাবিব নোৱৰা ধৰণে বৃদ্ধি পায়। শিক্ষানুষ্ঠানখন হৈ পৰে সমাজৰ মূল্যবান সম্পদ। শিক্ষাৰ্থীসকলে দেখুৱাওৱা ঈৰ্ষণীয় ফলাফলৰ আঁৰত থাকে প্ৰতিগৰাকী শিক্ষকৰ হাৰভঙা শ্ৰম আৰু ত্যাগ। অথচ সিংহভাগ কৃতিত্ব লাভ কৰে স্কুলখনৰ প্ৰধান শিক্ষক বা অধ্যক্ষই। ব্যক্তিগত শিক্ষানুষ্ঠান হ'লে সকলো কৃতিত্বই লাভ কৰে মালিকে। অথচ তেওঁ শিক্ষক নহ'বও পাৰে, বা শিক্ষক হ'লেও তেওঁ দক্ষ শিক্ষক নহ'বও পাৰে। তথাপিও তেওঁৰ নামেই কেউফালে বৈ বৈ যায়, টকাৰ সোঁতো বয় তেওঁক অনুসৰণ কৰিহে। কিয়?

কাৰণ, এটা বিশেষ গুণৰ অধিকাৰী হ'লেই মানুহক দক্ষ বুলি অভিহিত কৰিব নোৱাৰি। তেওঁলোকহে প্ৰকৃততে দক্ষ যিয়ে আন হাজাৰজন দক্ষ লোকৰ পৰা দক্ষতা উলিয়াই আনি কাৰ্যক্ষেত্ৰত ৰূপায়ন কৰিব পাৰে।

# নাৰী

কল্পনা দত্ত, গুৱাহাটী



নাৰীৰ জীৱন গাঁথা  
ইমান সহজ নহয়  
তুমি দেখাৰ দৰে  
মোৰ কাহিনী নহয়,  
কেতিয়াবা শুনাম তোমাক  
মোৰ অপ্ৰিয় কাহিনী ।  
ত্যাগৰ অন্য এক নাম নাৰী  
এচামৰ বাবে নাৰী  
ছলনাময়ী, ৰহস্যময়ী  
সেইচাম মানুহে এবাৰ  
ভাবি চাইছেনে, নাৰী  
সহনশীল, ধৈৰ্য্যশীল ।  
নিৰ্যাতন, লাঞ্চিতা, অপমান  
সকলো সহিব পাৰে, নাৰীয়ে  
কৈশোৰ অৱস্থাৰ পৰাই  
সহিব লাগে কিমানৰ কটু কথা!  
যৌৱনৰ কথা নকলেওবা।  
স্বামীৰ ঘৰৰ অকথ্য নিৰ্যাতন  
সন্তান নহ'লে কয় আকৌ  
বাজী, কাঠ বাজী।  
দহমাহ দহদিন গৰ্ভস্থ কৰি  
সন্তানক লালন -পালন কৰাৰ পিছত  
সন্তানেও কয়, কি কৰিছানো মোৰ বাবে।  
আধুনিকা, আভিজাত্যৰ মাজত থাকি  
পুত্ৰ - বোৱাৰীয়ে এচাম নাৰীৰ বাবে  
শেষ ঠিকনা বিচাৰি দিয়ে বৃদ্ধাশ্ৰম।  
এয়াই হয়তো আধুনিক সমাজৰ  
আমাৰ ওচৰে পাজৰে থকা  
এগৰাকী নাৰীৰ, জীয়া ছবি ।

# গৰম ভাত আৰু পঁইতা ভাত



অনামিকা (সংগীতা)কলিতা, গুৱালকুছি

ঃ পঁইতা ভাতৰ জুটিয়ে বেলেগ, যদি তাৰ সৈতে কলাৰ দালি বটা আৰু শুকান জলকীয়া পোৰা থাকে...আহ! অমৃত যেন লাগে! ডাক্তৰ খাদ্য বিশেষজ্ঞ সকলৰ মতেও ইয়াৰ হেনো স্বাস্থ্য সম্পৰ্কীয় বহুত সুফল আছে ।

ঃ কি কৰিলা বোৱাৰী?

ঃ একো নহয় মা পেলাই দিলোঁ।

ঃ তুমি ভুল কৰিলা-।

ঃ ৰাতিৰ জকৰা ভাতখিনি বোৱাৰী জনীয়ে ডাচবিনত পেলাই দিয়া দেখি শাহু মাৰ সহ্য নহ'ল....

ইয়াকে লৈ দুয়োৰে মাজত এখন তুমুল বাকযুদ্ধ চলিল। অতীত আৰু বৰ্তমান প্ৰজন্মৰ মাজত সময়ে সৃষ্টি কৰা প্ৰাচীৰখনৰ প্ৰতিফলন ঘটিল সময়ৰ ব্যৱধান...!

ঃ জীৱনৰ অভিজ্ঞতাই মানুহক বহুত শিকাই অ বোৱাৰী। তুমি কি বুজিবা। কেঁচা খৰিৰিৰে জুই ফুৱাই ৰাতি ৰন্ধা পানী দিয়া ভাতখিনি পিছৰ দিনা খুৱাই স্কুললৈ পঠাইছিলো। আজি তোমাৰ স্বামী মোৰ ল'ৰা উচ্চ পদস্থ চৰকাৰী বিষয়া... সি সুস্থ সৱল চেহেৰাৰ কিন্তু এবিধ ঔষধো খাই পোৱা নাই মাত্ৰ ময়ে দুই এডাল জাপ-জৰি দিছোঁ মানুহৰ মুখ লাগে বুলি! অন্ন মুঠিৰ সৈতে কপালৰ ঘাম নিহীত হৈ আছিল, অপব্যয় হোৱা কেতিয়াও নিবিচাৰো..।"

ঃ আগৰ সেই দিন নাই মা এতিয়া গেছ ইলেক্ট্ৰিক বা সৌৰ শক্তিৰ সহায়ত কম সময়তে সুস্বাদু পৰিপুষ্টি আহাৰ খাব পাৰি। গেলি যোৱা খাদ্য নহয়।

ঃ হয় নে? এতিয়া তোমালোক সৱল নে আমি? দহখন ঘৰৰ কাম অকলেই কৰাৰ শক্তি মোৰ আছে। এনেকৈ কৈ বোৱাৰীক কৰ্মকাণ্ড দেখি পুৰণি সেই কথাবোৰে শাহুৱেকক ভৱাই তুলিলে ..!

ঃ এই সকলোবোৰ দেখি চেষ্টা কৰিও আজি দুটা দিনে পুতেকে মাকৰ ভেম আঁতৰবা পৰা নাই, এখন ঘৰত দুখন আখল হোৱাটো সি কেতিয়াও হ'ব দিব নোৱাৰে "দুই মহৰ যুঁজত বিৰিণাৰ মৰণ।" শেষত নাতিয়েকৰ মৰমত ভেম ভাঙিল গতিকে সমস্যা যিমানেই নহওক সমাধান আছে। পুতেকে বুজি পালে গৰম ভাতৰ যেনেকৈ আৱশ্যকীয় ঠিক তেনেকৈ পঁইতা ভাতৰো সিমানেই গুৰুত্বপূৰ্ণ কিন্তু পত্নী আৰু মাতৃকহে বুজাব পৰা নাই কিন্তু নাতি নামৰ তৃতীয় পক্ষৰ সহযোগত সমাধান হ'ল ।

# মোৰ প্ৰিয় ঋতু শৰত

ৰাতুল চেতিয়া ফুকন,চৰাইদেউ সোনাৰি



এটা শান্ত সন্ধিয়া  
দিনটোৰ প্ৰচণ্ড গৰম আৰু  
ৰাতিলৈ আহিব লগা সামান্য ঠাণ্ডাৰ দোমোজা ।  
আহিনৰ পদুলিত ঠিয় হৈ  
খেপিয়াই চাওঁ  
কুঁৱলীৰ শুভ্ৰ চাদৰৰ আগ ।  
মোৰ প্ৰিয় ঋতু শৰত  
উৎসৱৰ ৰঙীন আনন্দ আৰু  
নিয়ৰ সনা শেৱালীৰ সুবাস  
মতলীয়া মন ।  
এইয়া যে শৰতৰ আগমন।

জনতাৰ চৰকাৰ | myGOV মেরী সরকার

অসম চৰকাৰ
বিত্ত বিভাগ

# অৰুণোদয় ৩.০

অসমৰ সৰ্ববৃহৎ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ
প্ৰক্ৰিয়াৰ যোগেদি জীৱনৰ ৰূপান্তৰ



নতুন হিতাধিকাৰী
৩৭.২ লাখ

এখন ৰেচন কাৰ্ড-এগৰাকী
অৰুণোদয় হিতাধিকাৰী

AADHAAR
আধাৰ-সংযুক্ত বৈধ ৰেচন কাৰ্ড
থকাটো বাধ্যতামূলক

অসমত বসবাস কৰি থকা স্থায়ী
বাসিন্দাসকল আঁচনিখনৰ সুবিধা
লাভ কৰাৰ যোগ্য

১৮ বছৰ উৰ্দ্ধৰ যোগ্য মহিলা
আৰু দিব্যাংগজনক হিতাধিকাৰী
হিচাপে মনোনয়নৰ সুবিধা

**JANASANYOG- 1649/24/22-Sept-24**

## কোনে আবেদন কৰিব পাৰিব?

- বিধৱা, অবিবাহিতা (৪৫ বছৰ বয়সৰ উৰ্দ্ধৰ), বিবাহ বিচ্ছেদিত আৰু অকলশৰীয়া মহিলা
- তৃতীয় লিংগ
- লিংগ নিৰ্বিশেষে দিব্যাংগ ব্যক্তি (দিব্যাংগ ব্যক্তিৰ অধিকাৰ আইন, ২০১৬ অনুসৰি)
- চৰকাৰী পঞ্জীয়নভুক্ত বৃদ্ধাশ্ৰমত থকা মহিলা তথা বৃদ্ধা/ৰুগীয়া মহিলা
- পৰিয়ালৰ উপাৰ্জনক্ষম ব্যক্তিগৰাকী বৃদ্ধ (৬০ বছৰৰ উৰ্দ্ধৰ) অথবা দিব্যাংগ হ'লে, তেনে ঘৰৰ মহিলা
- এইচ আই ভি/থেলাচেমিয়া/হিম'ফিলিয়া/চেৰিব্ৰেল পালচি/কুষ্ঠ/অটিজম স্পেকট্ৰাম বিকাৰত আক্ৰান্ত ৰোগী থকা পৰিয়ালৰ মহিলা
- আশ্ৰয়হীন পৰিয়ালৰ মহিলা
- ভিক্ষাৰে জীৱননিৰ্বাহ কৰা মহিলা
- অন্ত্যোদয়া অন্ন যোজনাৰ মহিলা হিতাধিকাৰী
- মুঠ বাৰ্ষিক উপাৰ্জন ২ লাখ টকাতকৈ কম হোৱা পৰিয়ালৰ মহিলা

## কোনে আবেদন কৰিব নোৱাৰিব?

- সাংসদ, বিধায়ক, মুখ্য কাৰ্যবাহী সদস্য, কাৰ্যবাহী সদস্য, প্ৰাক্তন সাংসদ, প্ৰাক্তন বিধায়ক, প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য, প্ৰাক্তন কাৰ্যবাহী সদস্যৰ পৰিয়াল
- পঞ্চায়তীৰাজ প্ৰতিষ্ঠান, নগৰীয়া স্থানীয় সংস্থা আৰু স্বায়ত্তশাসিত পৰিষদ/ষষ্ঠ অনুসূচীৰ অন্তৰ্গত গ্ৰাম্য পৰিষদ উন্নয়ন সমিতি (ভি চি ডি চি)ৰ বৰ্তমানৰ সদস্যৰ পৰিয়াল
- চিকিৎসক, অভিযন্তা, স্থাপত্যবিদ, চাৰ্টাৰ্ড একাউণ্টেণ্ট, বেংক বিষয়া, উকীলৰ পৰিয়াল
- বিশ্ববিদ্যালয়, মহাবিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়, কনিষ্ঠ মহাবিদ্যালয়, উচ্চ মাধ্যমিক বিদ্যালয়, উচ্চ প্ৰাথমিক আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ পৰিয়াল (ঠিকাভিত্তিক আৰু অস্থায়ী শিক্ষকক সামৰি)
- অংগনবাড়ী কৰ্মী, মধ্যাহ্ন ভোজন কৰ্মী, আশাকৰ্মী, আশা তত্ত্বাৱধায়ক তথা গাঁও প্ৰধানকে সামৰি যিকোনো চৰকাৰী নিয়মীয়া কৰ্মচাৰী, পেঞ্চনাৰ অথবা ঠিকাভিত্তিক কৰ্মচাৰীৰ পৰিয়াল
- আয়কৰ পৰিশোধ কৰা চৰকাৰী ঠিকাদাৰ আৰু যোগনিয়াৰ, ৰিয়েল ইষ্টেট বিল্ডাৰ, উদ্যোগপতি, ব্যৱসায়ৰ অনুজ্ঞা-পত্ৰপ্ৰাপ্ত ব্যক্তিৰ পৰিয়াল
- আয়কৰ পৰিশোধ কৰা ব্যৱসায়ী/উদ্যোগী, দোকানী, বেপাৰীৰ পৰিয়াল
- ভূমিৰ অধিকাৰী (ক্ষুদ্ৰ আৰু উপান্ত শ্ৰেণীৰ বাহিৰে) পৰিয়াল
- চাৰিচকীয়া মটৰ বাহন থকা পৰিয়াল
- অৰুণোদয় প্লাছ অথবা তেনে ধৰণৰ আঁচনিৰ অধীনত ৰাজ্য চৰকাৰৰ পৰা অৰুণোদয় ৩.০ৰ ধনৰাশিৰ সমপৰিমাণৰ অথবা তাতকৈ অধিক পৰিমাণৰ ধন লাভ কৰা পৰিয়াল
- 'ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, ২০১৩'ৰ অধীনত অসম খাদ্য সুৰক্ষা বিধিৰ দ্বাৰা নিৰ্ধাৰিত আয়তকৈ অধিক আয় থকা পৰিয়াল

### গুৰুত্বপূৰ্ণ জাননী

অৰুণোদয় ৩.০ৰ
সুবিধা গ্ৰহণ কৰিবলৈ
বৰ্তমানৰ হিতাধিকাৰীসকলকে
ধৰি সকলো যোগ্য মহিলাই নতুনকৈ
আবেদন কৰিব লাগিব



* সবিশেষ জানিবলৈ অৰুণোদয় ৩.০ আঁচনিৰ নিৰ্দেশনাৱলী চাওক


https://finance.assam.gov.in @assamfindept

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Connect with us @diprassam dipr.assam.gov.in


অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

# চিকিৎসকৰ ব্যৱহাৰ ঃ সৰু সৰু মানুহৰ অভিজ্ঞতা

**নন্দিতা চক্ৰৱৰ্তী গগৈ**



চিকিৎসক জনৰ কটু কথা শুনি প্ৰতাপ শইকীয়াৰ মনটো ভেবাচেকা খাই গ'ল। হয়তো! সি নো কিহৰ কিটো! না শিক্ষা দীক্ষা, না টকা পইছা, না ঘৰ দুৱাৰ । চাৰিটা দশকৰ আগতেই ঘৰে ঘৰে বাতৰি কাকত বিক্ৰী কৰাৰ কামটো আৰম্ভ কৰিছিল। বিভিন্ন সমস্যাৰে জৰ্জৰিত বাবেই পঢ়া-শুনাত আগবাঢ়িব নোৱাৰি ঘৰখনক সজীৱ কৰিবলৈকে সি এইকামটো আৰম্ভ কৰিছিল। দৈনিক কাকত বিলাক পঢ়ি দেশ দুনিয়াৰ দুটা কথা শিকিবও পাৰি। তাৰ কামটোত নিচা বহা বাবেই আন কোনো কামলৈ মন নেমেলি সেইটোতে থাকি গ'ল। লাভ কম কিন্তু ভাল ভাল মানুহৰ সংগ পোৱা যায়। তাৰ সহজ সৰল মনটোৱে কথা বিলাক বৰ সহজ ভাৱেই লয়। বাতৰি কাকতৰ লগতে আলোচনীও বিক্ৰী কৰিবলৈ লোৱা বাবে স্থায়ীকৈ সৰু দোকান এখনো আৰম্ভ কৰিছিল কেতিয়াবাই। আৰু সেই সাধাৰণ উপাৰ্জনেৰে ঘৰ সংসাৰো কৰিলে বহু দিনৰ আগতেই। দুদিন মানৰ আগৰ কথা । প্ৰ-পত্ৰ এখনত গেজেটেড অফিচাৰ এজনৰ চহী এটাৰ প্ৰয়োজন হৈছিল। শইকীয়াই বৰ বিশেষ ভবা-চিন্তা নকৰি যোৱা চাৰিটা দশকে বাতৰি কাকত দি অহা কাৰ্য্যালয়ৰ চিকিৎসকজনকে চহীটো কৰি দিবলৈ অনুৰোধ কৰিলে । শইকীয়াই যেন চিকিৎসকজনৰ জীৱনটোহে বিচাৰিলে ! চিকিৎসকজনে তেওঁৰ আপাদমস্তক লক্ষ্য কৰি নাম ধাম গতি গোত্ৰ সুধিলে। শইকীয়াই স্বভাৱসিদ্ধ নম্ৰতাৰে নিজৰ নামটো কৈ ক'লে, "ছাৰ মই যোৱা চাৰিটা দশকে আপোনালোকৰ কাৰ্য্যালয়ত কাকত, আলোচনী দি আহিছো।" হঠাতে চিকিৎসকজনৰ মুখখন কঠোৰ হৈ পৰিল। তেওঁৰ ফুলনিত ঘাঁহ কাটি থকা মালী জনলৈ দেখুৱাই ক'লে,-"সেই মালীটো আৰু তোমাৰ মাজত কি পাৰ্থক্য আছে ? সি মোক এই কামটো কৰি দিবলৈ ক'বলৈ সাহস কৰিব পাৰিব নে ? তুমি ক'ত সাহস পালা? লৈ যোৱা তোমাৰ কাগজ।" চিকিৎসক জনৰ কথা শুনি শইকীয়া মানুহটো লাজে অপমানে ৰঙা চিঙা পৰি গ'ল। অকলে থকা হ'লে বাৰু কোনো কথা নাছিল, সৰু মানুহ, আনৰ টান কথা শুনাৰ অভ্যাস আছে। পিছে লগত তেওঁৰ ল'ৰাটোও আছিল যেহু সি অকমান হলেও পঢ়া শুনা কৰিছে। ভুৱনেশ্বৰ আই আই টিৰ পৰা বি টেক ডিগ্ৰী লৈ মাদ্ৰাজ আই আই টিত এম টেকত নাম ভৰ্তি কৰা ল'ৰাটোৰেও দেখিলে যে চিকিৎসক জনৰ ব্যৱহাৰ! শইকীয়াই চিকিৎসক জনক নমস্কাৰ জনাই ওলাই আহিল আৰু তাতে থৈ আহিল "ডাঙৰ মানুহৰ প্ৰতি ইমান দিনে মনত লৈ থকা তেওঁৰ ধাৰণাটো।" পিছে পিছে মাদ্ৰাজ আই আই টিত এম টেক পঢ়ি থকা পুতেকজন ।

(২)

সোঁ ভৰিটো লেঙেৰিয়াই লেঙেৰিয়াই বয়সে তিনিকুৰিৰ ওচৰ চপা লোকজন চিকিৎসকৰ অভ্যৰ্থনা কক্ষলৈ সোমাই আহিল । আকাশী ৰঙৰ চোলা পৰিহিত লোকজনৰ ভৰিৰ এপাত হাৱাই চেন্দেলৰ পিছডোখৰৰ ক্ষয় গৈছে। তেওঁ অভ্যৰ্থনা কক্ষৰ মহিলা গৰাকীক কিবা এটা ক'লে। মহিলা গৰাকীয়ে অকমান ডাঙৰকৈয়ে ক'লে, "নাই নাই, ইয়াত দৰদাম নকৰিব। ছাৰৰ ফিজ এহেজাৰ পঞ্চাছ টকা দি ল'লেহে তেখেতক দেখা কৰিব পাৰিব । ডাক্তৰৰ জন্ম গাঁৱৰে বুলি কোৱা আপোনাৰ দৰে মানুহ বহুত আছে। উপায় নাপাই লোকজনে জেপৰ পৰা চুঁচি মাজি এহেজাৰ পঞ্চাছ টকা মহিলা গৰাকীৰ হাতত জমা দিলে। সেয়া পাঁচশ বা দুশ টকীয়া নোট নাছিল, আছিল দহ টকা আৰু বিছটকীয়া নোটহে । এটা দুটাকৈ সাঁচি মানুহজনে চিকিৎসক জনৰ ফিজটো গোটাইছিল । কিছুসময়ৰ পাছত দীঘলীয়া নিদান-পত্ৰ খন লৈ লোকজন ওলাই আহিছিল । তেওঁৰ এতিয়া চিন্তা- কি অসুখ হৈছে সেয়া পৰীক্ষা কৰা নহয়, তাতকৈ ডাঙৰ চিন্তা হ'ল মেজিকত উঠি ঘৰলৈ যাবলৈ টকা ত্ৰিছটা সন্ধিয়া কালত এতিয়া ক'ত পায়!

(৩)

প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ চাকৰিটো সৌৰভে এৰি দিলে। কিন্তু তাৰ নিজাকৈ উপাৰ্জন নহ'লেও নহয়। ঘৰখনৰ অৱস্থা বৰ দুখ লগা। সেয়েহে দশম শ্ৰেণীত পিয়েৰলেছৰ এজেণ্ট কৰাৰ অভিজ্ঞতাৰে সি তাৎক্ষণিক ভাৱে দুটকা উপাৰ্জনৰ বাবে ভাৰতীয় জীৱন বীমা নিগমৰ অভিকৰ্তা কামটো ল'লে। বীমা আঁচনি বিক্ৰী কঁৰোতে বয়সভেদে কেতিয়াবা বীমাকাৰীৰ সু-স্বাস্থ্যৰ প্ৰমাণ পত্ৰ এখনৰো প্ৰয়োজন হয় আৰু তাৰ বাবে নিগমে নিয়োগকৰা চিকিৎসকৰ পৰা তেনে প্ৰমাণ-পত্ৰ সংগ্ৰহ কৰিব লাগে। কামটোত মুৰ সুমুৱায়ো সৌৰভে সুখ পোৱা নাই । তথাপি তেনে প্ৰমাণ পত্ৰ এখন আনিবলৈকে সি দুপৰীয়া চিকিৎসক এজনৰ ভাৰা ঘৰটোত উপস্থিত হ'লগৈ। সপ্তাহ জুৰি হোৱা বৰষুণে বাট পথ বোকাময় কৰি পেলাইছে। দুপৰীয়া সময়। সৌৰভে চাইকেলখন জপনাৰ বাহিৰতে থৈ "ছাৰ আছেনে ঘৰত" বুলি মাত লগালে। চিকিৎসকজন ওলাই আহি নতুন মুখৰ ল'ৰাটো দেখি ভিতৰলৈ মাতি নি যোৱাৰ উদ্দেশ্য সুধি তৎক্ষণাৎ কামটো কৰি চা-চিনাকি হ'ল। কামটো হ'ল যেতিয়া আৰু বৈ থকাৰ প্ৰয়োজন নাই । সেয়েহে সি "ছাৰ মই যাওঁ" বুলি ক'বলৈহে পালে, চিকিৎসক জনে ধমক দিয়াৰ সুৰতে ক'লে, ক'ত যোৱা, বহা। তোমাৰ যিটো কাম ক'তো চাগে চাহ অকনো খাবলৈ পোৱা নাই, ঘৰৰ পৰাও চাগে কেতিয়া আহিছিলা ঠিক নাই। তাৰ পাছত তেওঁ ভিতৰৰ ফালে চাই মাত লগালে, হেৰা, শুনিছানে, আলহী ল'ৰা এজন আহিছেহে। তুমি কি আছে চাহ জলপান দিয়া। ক্ষন্তেক পাছতে পৰিবাৰ চাহ আৰু চিৰা দৈৰ জলপান এবাটি লৈ ভিতৰৰ পৰা ওলাই আহিল । পাছত সৌৰভে গম পাইছিল, চিকিৎসকৰ পৰিবাৰ এখন মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ।

সেই ঘটনাটোৰ ২৩ বছৰৰ পাছৰ কথা । সপোনৰ চাকৰিৰ বিপৰীত মেৰুত থাকি সৌৰভে মাথো জেপ খৰচৰ বাবে আৰম্ভ কৰা কামটোতে জীৱন যাপন কৰিব লগা হ'ল। এইবাৰ তাক চালকৰ প্ৰমাণ পত্ৰখনৰ বাবে চিকিৎসকৰ প্ৰমাণ পত্ৰ এখনৰ প্ৰয়োজন হ'ল। সি চৰকাৰী চিকিৎসালয় খনলৈ সোমাই গ'ল। হঠাতে সি দেখিলে ২৩ বছৰৰ আগতেই প্ৰথমবাৰৰ বাবে লগ পাওঁতেই চাহ জলপান খুৱাই পঠোৱা সেই চিকিৎসক গৰাকী । সি ছাৰ বুলি মাত লগাই নিজৰ পৰিচয়টো দি তাৰ প্ৰয়োজনীয়তাটোৰ কথাও ক'লে। আহা বুলি হাতত ধৰি তাক চিকিৎসক কক্ষলৈ লৈ গৈ পৰীক্ষা কৰি প্ৰমাণ পত্ৰখন দিলে। সি কিবা দিব লাগিব নেকি সুধিবলৈ হে পালে (এইবিলাক কামত পইছা লোৱাটো এক অলিখিত নিয়ম), তেওঁ গৰগৰাই উঠিল, "তুমি ঘৰৰ মানুহ আৰু মই তোমাৰ পৰা পইছা ল'ম ! কি কথা সুধিছা?" তেইছ বছৰৰ আগতে অকণমান সময়ৰ বাবে লগ পোৱা সৌৰভ তেওঁৰ বাবে এতিয়াও ঘৰৰ ল'ৰা হৈয়ে আছে!

(৪)

পৰাগ শইকীয়াৰ ঘৰখন কিছুদিনৰ পৰা আনন্দমুখৰ হৈ আছে । অলপদিনৰ পাছতে তেওঁলোকৰ সংসাৰলৈ দ্বিতীয় সন্তানটিৰ আগমন ঘটিব । মাজে সময়ে শইকীয়া দম্পতিয়ে চিকিৎসকৰ পৰামৰ্শ লৈ আহিছে। সিদিনাও তেওঁলোক চিকিৎসকৰ ওচৰলৈ গৈছিল । চিকিৎসকে শইকীয়াৰ পৰিবাৰক চাই চিতি ক'লে, "আপোনাৰ গৰ্ভস্থ সন্তানটিৰ "হৃদস্পন্দন" কম যেন লাগিছে । সেয়ে আপুনি আজিয়েই আলট্ৰাচাউণ্ড পৰীক্ষা এটা কৰিব লাগিব"। শইকীয়াইতো কিবা পৰীক্ষা কৰিবলগীয়াকৈ ইমান টকা লৈ যোৱা নাই! সেয়ে তেওঁ চিকিৎসকক ক'লে, "হ'ব বাৰু, কাইলৈ বা পৰহিলৈ যি দিনাই সুবিধা হয়, পৰীক্ষাটো কৰাই আপোনাক জনাম ।" চিকিৎসকে চাগে শইকীয়াৰ অৰ্থনৈতিক অৱস্থাটো বুজি পাইছিল। সেয়ে ক'লে, " নহয় শইকীয়া, আপুনি আজিয়েই কৰাওক, খৰচটো মোৰ পৰা লৈ যাওঁক, পাছত কেতিয়াবা মোক দিব বাৰু ।" এইবুলি কৈ প্ৰায় অচিনাকি চিকিৎসক জনে শইকীয়াৰ হাতত টকা ছশ তুলি দিলে ।

বিচিত্ৰ পৃথিৱীৰ বিচিত্ৰ মানুহ। কোনোবা জনে হয়তো গাঁও সম্বন্ধীয় লোক জনৰ পৰাও পইছা ল'বলৈ কুণ্ঠাবোধ নকৰে, কোনোবাই আকৌ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি ৰোগীক উপযাচি চিকিৎসাৰ বাবে পইছা দিয়ে । কোনোবাজন চিকিৎসকে সাধাৰণ মানুহে চহী এটা বিচাৰি গ'লে কটু কথা শুনায় আৰু কোনোৱে চাহ জলপান খুৱাই পঠায় ।

একাংশ চিকিৎসকৰ কুকৰ্মৰ বাবেই সকলো চিকিৎসককে দোষ দিব নালাগে। এতিয়াও এনে বহু চিকিৎসক আছে যি ফ'ন কৰি সমস্যাটোৰ কথা ক'লেই যিমান পাৰে সহায় কৰিবলৈ যত্ন কৰে। দেৰগাঁৱৰ ডা° ৰণজিত হাজৰিকা, নলবাৰীৰ ডা° মাধৱ চন্দ্ৰ ৰাজবংশী, তেজপুৰৰ ডা° সৌৰভ কুমাৰ ভূঞা, ডিব্ৰুগড়ৰ ডা° কুঞ্জন শইকীয়া আদি চিকিৎসক সকলৰ নাম বহুতে শ্ৰদ্ধাৰে লয় । আমাৰ সমাজত যিমানেই এওঁলোকৰ দৰে চিকিৎসকৰ সংখ্যা বৃদ্ধি পাব, সিমানেই মংগল । সকলো ৰোগৰ উপশম কোনো চিকিৎসকে কৰিব নোৱাৰে কিন্তু সকলো চিকিৎসকে যন্ত্ৰণাকাতৰ ৰোগীক এযাৰি মিঠা মাতেৰে মানসিক শক্তি আৰু শান্তি নিশ্চয় দিব পাৰে ।

**অনুগল্পঃ**

## দৃশ্যান্তৰ

**নিৰ্মালি বৰা হাজৰীকা,নগাঁও**

এটা হাতত ৰৌ মাছৰ টোপোলা। এটা হাতত মিঠাইৰ টোপোলা লৈ ৰজনী আনন্দত আত্মহাৰা হৈ আগবাঢ়িল, "হেৰা গোপাল আকৌ এটি ল'ৰাৰ বাপেক হ'লো। তুমি হে কিনো কাম কৰিলা। ছোৱালী দুজনীতে সমাপ্ত কৰিলা। শেষ সময়ত মুখত পানী এটুপি দিবলৈও লাগে ল'ৰা এটা।"

মোৰ দেখিছা গজ গজকৈ তিনিটা ল'ৰা বুলি বুকু ফিন্দাই ফিতাহি মাৰা ৰজনী বৃদ্ধ কালত পত্নীৰে সহিতে বৃদ্ধাশ্ৰমৰ আলহী। বন্ধু গোপালে জী-জোৱাঁই, নাতি- নাতিনীৰে সৈতে পাৰ কৰিছে সুন্দৰ সময়।

# কৰ্কাঁলৰ বিষ

লুকুমা আইজনী



"আপীটু অকালতে বুঢ়ী হ'ল এ !"

সৌ সিদিনা মা আৰু মাহীৰ লগত এনেই ফুৰিবলৈ ওলাই যোৱাৰ ছলেৰে মিক্স চাট্ খালো। পৰীক্ষাত উত্তৰ নজনা দহ বা পাঁচ নম্বৰীয়া প্ৰশ্নটোৰ উত্তৰ যেনেকৈ "চক্তী" বনাই লিখা হয়, তেনেকৈয়ে বনোৱা মিক্স চাট খাই আহি অনুভৱ কৰিছো যে মই অকণমান অসুস্থ হ'ম (সৰুৰ পৰা সৰু সুৰাকৈ বেমাৰত পৰি বেমাৰী উপাধি অৰ্জন কৰি থৈছো বাবে মই অকণমান অসুস্থ হোৱাৰ আগতেই গম পাই যাঁও যে মই অকণমান অসুস্থ হ'ম।) অসুস্থ হ'ম বুলি গম পাই অলপ সাৱধানতা অৱলম্বন কৰি সবল হৈ থকাৰ বাবে ৰাতি ভাত নাখাঁও বুলি কৈয়ো ভাত খাবলৈ বহিলো ।সময়ত খাই লৈ শুলো। এতিয়াহে লাগিল লেঠা ।গধূলি যি খিনি খাইছো, সেইখিনিয়ে মোক শপত খোৱালে যে মই আৰু মিক্স চাট নাখাঁও ।আনকি পিছদিনা মই দোকানখনক উদ্দেশ্যি এইবুলিও শপিছো যে যিখন দোকানৰ মিক্স চাট খাই মই কষ্টহে পালো সেইখন দোকানত দুদিন গ্ৰাহক কমকৈ যাব। অৰ্থাৎ দুদিন দোকানখনে লোকচান ভৰিব লাগি। মোৰ শাও ফলিল নে নফলিল নাজানো। কিন্তু পিছদিনালৈকে মোৰ কঁকালৰ বিষটোহে বাঢ়িল। বাঢ়িল মানে এনেকৈ বাঢ়িল যে বিষতে মই কান্দিয়ে দিলো। কঁকালৰ বিষত মোৰ অৱস্থা দেখি মাহীয়ে মোক জোকালে- "আপীটু অকালতে বুঢ়ী হ'ল এ!"

কঁকালৰ বিষ! বৰ গম্ভীৰ প্ৰকৃতিৰ এই বিষটোক বেছ কিছু দিন বা বেছ কিছু বছৰ সহ্য কৰিবলগীয়া নোহোৱা সকলে নুবুজিব কঁকালৰ বিষৰ লগত আমাৰ সম্পৰ্ক কিমান গভীৰ । কঁকালৰ বিষে আমাক নিঃস্বাৰ্থভাৱে আপোন কৰি লোৱাৰ পাছত, এই বিষটোৰ লগত সহজে বিচ্ছেদ হোৱাৰ কোনো উপায় নাই । কঁকালৰ বিষৰ লগত বিচ্ছেদ কৰাটো কিছু কঠিন হ'ব বুলি অনুমান কৰিব পাৰি অৱশেষত ইয়াৰ লগত বন্ধুত্বই কৰিলো ।

মোৰ বাৰ্থ চাৰ্টিফিকেটৰ মতে মোৰ ওঠৰ বছৰ বয়স হ'লেও কঁকালৰ বিষৰ মতে মই সত্তৰৰ উৰ্ধৰ এগৰাকী বৃদ্ধা ।পিছে যোৱা কিছু বছৰ ধৰি কঁকালৰ বিষৰ লগত চা- চিনাকি হৈ ভাল বন্ধুত্ব গঢ়ি উঠাৰ পিছত ভাৱিছো, কঁকালৰ বিষ - ভাল বন্ধু ! সহজে এৰি নাযায় ।আপোনালোকে ভাৱিছে চাগে যে মই কঁকালৰ বিষৰ আমেজ লৈ আছো! হয়, কঁকালৰ বিষ সহ্য কৰাত এক সুকীয়া আমেজ আছে । আমি শাৰিৰীকভাৱে সহ্য কৰিব লগীয়া হোৱা আন বিষবোৰতকৈ কঁকালৰ বিষটো কিছু সুকীয়া ।ই গম্ভীৰ প্ৰকৃতিৰ। বেছি হাই হুলস্থুল বেয়া পায়। সিদিনা মই অনুভৱ কৰিলো আচলতে কঁকালৰ বিষটো ফাগুনৰ মৃদু বতাহজাকৰ দৰে ; দেহ মনক একেবাৰে শুবলৈ নিদিয়ে। তথাপি মাজে মাজে বৰদৈচিলাৰ দৰে উৎপাত নকৰা নহয়, কিন্তু সেয়া মাজে মাজেহে।

পিছে কঁকালৰ বিষ সহ্য কৰি মোৰ বৃদ্ধা বয়সত কেনেকৈ চলিম তাকেই লৈ মই এতিয়াৰ পৰাই মহা চিন্তাত পৰিছো। প্ৰথমতে ইতো কৰিছিলো, সিটো কৰিছিলো, এই মৰবিষটো দেখোন নকমেহে নকমে। মই কি নিৰ্জীৱ নেকি ইমান যে সহ্য কৰি মৰম কৰি কৰি কঁকালৰ বিষটোক যাবলৈ কৈ থাকিম! গতিকে 'যাহ বাপেকে নিদিঁও তোক পাত্তা !'

**আগলৈ.....**

# যিকোনো বিনিয়োগৰ জৰিয়তে আপুনি স্বাৱলম্বী হোৱা সম্ভৱনে ?

**দেবৰ্ষি গৌতম, বনগাঁও**



যিকোনো পদ্ধতিৰে নিজৰ উপাৰ্জিত ধন বিনিয়োগ কৰি আমি স্বাৱলম্বী হব পাৰো। কিন্তু কত আৰু কেনেকৈ আমাৰ উপাৰ্জিত ধন বিনিয়োগ কৰিম সেই বিষয়ে আমি বিনিয়োগ কৰাৰ পূৰ্বে পুংখানুপুংখ ভাবে জানি লোৱাটো অতিকৈ দৰকাৰী। বহু সময়ত দেখিবলৈ পোৱা যায় যে বিনিয়োগৰ নামত বহু লোকে বিভিন্ন ধৰণৰ জালিয়াতিৰ জৰিয়তে ধন সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে। ইয়াৰ প্ৰমাণ বিগত দিনত সংঘটিত হোৱা ঘটনা প্ৰবাহে বহন কৰিছে। যদি আপোনাৰ উপাৰ্জিত ধন বিনিয়োগ কৰি স্বাৱলম্বী হোৱাৰ সপোন দেখিছে তেনেহলে এটা কথা স্পষ্ট যে বিনিয়োগ কৰিবলৈ আপুনি নিজে প্ৰাথমিক তথ্য সমূহ আহৰণ কৰিব লাগিব। আমাৰ দেশত বিনিয়োগৰ বাবে জনপ্ৰিয় প্লেটফৰ্ম হৈছে শ্বেয়াৰ বজাৰ। ইয়াৰ উপৰিও মিছুৱেল ফাণ্ড, ভাৰতীয় জীৱন বীমা নিগম আদিৰ জৰিয়তেও আপুনি নিজৰ উপাৰ্জিত ধন বিনিয়োগ কৰাৰ সুবিধা আছে। কিন্তু এনে ধৰণৰ বিনিয়োগ আপুনি প্ৰত্যক্ষভাবে কৰাটো অতিকৈ জৰুৰী। যদি আপুনি এনে ধৰণৰ বিনিয়োগত আন ব্যক্তিৰ সহায়ত কৰিবলৈ আগবাঢ়ে তেনেহলে এনে বিনিয়োগৰ পৰা আপুনি যে বিপদৰ সন্মুখীন নহব তাৰ কোনো নিশ্চয়তা নাই। বিনিয়োগৰ ক্ষেত্ৰখন এনে এখন ক্ষেত্ৰ নহয় যে আপুনি বিনিয়োগ কৰা ধনখিনিৰ পৰা আপুনি নিশ্চিতভাৱে লাভান্বিত হব। বিনিয়োগৰ ক্ষেত্ৰখনত লাভ আৰু লোকচান দুইটা সম্ভৱ। আপোনাৰ লাভ লোকচান বিনিয়োগৰ প্ৰতিটো স্তৰ আপুনি কিমান সূক্ষ্মভাৱে নিৰীক্ষণ কৰিছে তাৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিব। আপুনি অতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰাৰ পিছতো কেতিয়াবা বিনিয়োগৰ ক্ষেত্ৰত লোকচানৰ সন্মুখীন হোৱাটো কোনো অস্বাভাৱিক কথা নহয়। কিন্তু আপুনি আপোনাৰ লোকচান কিদৰে লাভলৈ ৰূপান্তৰিত কৰিব সেইটোহে বিনিয়োগৰ মূল বিষয়। বিনিয়োগৰ ক্ষেত্ৰ খনত বহু লোক লাভান্বিত হোৱাৰ কথা আপোনালোকে সততে শুনিবলৈ পাব। কিন্তু লোকচানৰ কথা খুব কমকৈ শুনিবলৈ পাব। এক উচ্চ জীৱনশৈলীৰ সকলোৰে আগত উপস্থাপন কৰি কিছুমান লোকে বিনিয়োগৰ জৰিয়তে লাভান্বিত হোৱা বুলি প্ৰমাণ কৰিব বিচাৰে। কিন্তু ইয়াতে এটা চিন্তা কৰিবলগীয়া কথা আছে। বিনিয়োগত যদি সকলোৱে লাভ কৰি আছে তেনেহলে লাভ হোৱা এই ধনবোৰ আহিছে কৰ পৰা। কোনোবাই যদি বিনিয়োগৰ পৰা লাভ কৰিছে তেনেহলে কোনোবাই লোকচানৰ সন্মুখীন হবই লাগিব তেতিয়াহে লাভ হোৱা

*(বাৰপৃষ্ঠাত চাওক)*

# কুঁৱলী ৰাণীৰ স'তে ফিৰফিৰিয়া এছাটি বতাহ

**যমুনা দুলু বৈশ্য,শুৱালকুছি**



আহিন আহিল, শৰৎ আহিল
বৈ আছো ফিৰফিৰিয়া এজাক বতাহ পাবলে
শেৱালিৰ সুগন্ধি মোৰ নাকত লাগিল
চিকুনাই থৈছোঁ পদূলিৰ চোতাল
সেউজীয়া দুবৰিৰ নিঁয়ৰত তিতি থকা
কুঁৱলী ৰাণীৰ কোমল চাদৰখন
গাত লৈ
নীল আকাশৰ মেঘৰ স'তে
সূৰুযৰ ৰ'দালিৰ উম লবলৈ
চোতাল ভৰি ৰ'দালিৰ ৰং হয় বলিয়া
সময় মতে আহে যে শৰৎ
চোৱাচোন চোন ঐ বান্ধৈ
সৌ নদীৰ পাৰৰ কঁহুৱানি ডৰা দেখিলে
কিয়নো উৰি যায় উল্লাসত মন ঐ
সেই নাচোন হৃদয় পৰশি
ঋতুৰ শৰৎ আবেগত
মায়ে দিয়া ৰিহাৰ কাপোৰ যোৰ
আলমাৰীৰ পৰা ওলোৱাৰে হ'ল
গৰমত পিন্ধিব নোৱাৰি, অতি যতনেৰে
সাঁচি ৰাখিছো
বহু আশাৰে অপেক্ষা মাথো
সুখ -দুখৰ ঋতুৰ স'তে সময়ৰ হেঁপাহবোৰ
এছাটি মলয়াৰ আমেজৰ স'তে
নিজকে সঁজাবৰে হ'ল ।

# বায়ুসেনাৰ নতুন মুৰব্বী হিচাপে এয়াৰ মাৰ্শ্বাল অমৰপ্ৰীত সিঙক নিযুক্তি



ৰঙিলী বাৰ্তাসেৱা- দেশৰ বায়ুসেনাৰ নতুন মুৰব্বী হিচাপে এয়াৰ মাৰ্শ্বাল অমৰপ্ৰীত সিঙক নিযুক্তি দিয়া হৈছে। অহা ৩০ ছেপ্টেম্বৰত বৰ্তমানৰ বায়ুসেনাৰ মুৰব্বী চীফ মাৰ্শাল বিবেকৰাম চৌধাৰীৰ স্থানত দায়িত্ব গ্ৰহণ কৰিব অমৰপ্ৰীত সিঙে। কেন্দ্ৰীয় চৰকাৰে নৌসেনাত বৰ্তমান ভাইচ চীফ অৱ দ্য এয়াৰ ষ্টাফ হিচাপে কৰ্মৰত অমৰপ্ৰীত সিঙক নতুন মুৰব্বী হিচাপে নিযুক্তি দিছে। ১৯৮৪ চনত ভাৰতীয় বায়ুসেনা বাহিনীত যোগদানেৰে কৰ্মজীৱন আৰম্ভ কৰা এয়াৰ মাৰ্শ্বাল অমৰপ্ৰীত সিঙে ২০১৯ চনত অতি বিশিষ্ট সেৱা মেডেল আৰু ২০২৩ চনত পৰম বিশিষ্ট সেৱা মেডেলেৰে সন্মানিত হৈছে। ২০২৩ চনৰ ১ ফেব্ৰুৱাৰীত বায়ুসেনাৰ উপ-মুৰব্বী হিচাপে নিযুক্তি লাভ কৰা এয়াৰ মাৰ্শ্বাল অমৰপ্ৰীত সিঙে দেশৰ নতুন মুৰব্বী হিচাপে দায়িত্ব লাভ কৰিব। মিগ- ২৭ৰ কমাণ্ডিং অফিচাৰ আৰু ফ্লাইট কমাণ্ডাৰ হিচাপে অভিজ্ঞতাৰে পুষ্ট অমৰপ্ৰীত সিং বেলিংটনৰ নেচনেল ডিফেঞ্চ একাডেমী, ডিফেঞ্চ ছাৰ্ভিচ ষ্টাফ কলেজৰ প্ৰাক্তন শিক্ষাৰ্থী।

# মহাপ্ৰৱঞ্চক দীপাংকৰ

এতিয়ালৈকে আৰক্ষীৰ আগত প্ৰকাশ কৰা নাই। আনহাতে আৰক্ষীৰ এটা সূত্ৰই জানিবলৈ দিয়া মতে, বিনিয়োগৰ নামত ৰাইজৰ পৰা ধন সংগ্ৰহ কৰা দীপাংকৰ বৰ্মনে নিজৰ একাউণ্টৰ লগতে মাক- দেউতাকৰ একাউণ্টৰ জৰিয়তেও বহু ধনৰ লেনদেন কৰিছিল। আৰক্ষীয়ে ইতিপূৰ্বে প্ৰৱঞ্চকটোৰ লগতে পিতৃ-মাতৃৰো একাউণ্টৰ সবিশেষ সংগ্ৰহ কৰি পৰীক্ষা চলাইছিল। বেংকৰ পৰা অহা প্ৰতিবেদনমৰ্মে চবিন বৰ্মন আৰু দীপালী তালুকদাৰৰ একাউণ্টযোগে বিভিন্ন সময়ত কেইবা কোটি টকাৰ লেনদেন হৈছিল। অৰ্থাৎ সকলো জানি-শুনিও আৰক্ষীৰ ওচৰত দুয়োজনে নজনাৰ ভাও ধৰিছিল সেয়া উক্ত প্ৰতিবেদনৰ পৰাই স্পষ্ট হৈ পৰিছে। আৰক্ষীয়ে দুয়োজনকে জিম্মাত ল'বলৈ বিচাৰিছিল যদিও দুয়োগৰাকীৰে বয়সৰ দিশটোলৈ চাই জিম্মাত নলৈ কাৰাগাৰলৈ প্ৰেৰণ কৰে। অৱশ্যে কাৰাগাৰত দুয়োকে এই সন্দৰ্ভত জেৰা চলোৱা হ'ব বুলিও জানিব পৰা গৈছে। ইপিনে প্ৰৱঞ্চক দীপাংকৰ বৰ্মনৰ পিতৃ-মাতৃৰ লগতে আৰক্ষীয়ে ডি বি ষ্টক ব্ৰকিঙৰ চাৰ্টাৰ্ড একাউণ্টেণ্ট মহেশ আগৰৱালাকো গ্ৰেপ্তাৰ কৰে। ডি বি ষ্টক ব্ৰকিঙ কোম্পানীটোৰ বিভিন্ন লেনদেন মহেশ আগৰৱালাই চোৱাচিতা কৰাৰ লগতে দীপাংকৰ বৰ্মনৰ বিভিন্ন ঠাইত বিনিয়োগ হৈ থকা কোটি কোটি টকা সুৰক্ষিতভাৱে ৰখাৰ ক্ষেত্ৰতো মহেশ আগৰৱালাই গুৰুত্বপূৰ্ণ ভূমিকা লোৱাৰ সন্দেহ কৰিছে আৰক্ষীয়ে। ধৃত মহেশ আগৰৱালাৰ বিৰুদ্ধে লেনদেন সন্দৰ্ভত বহু তথ্য আৰক্ষীয়ে লাভ কৰিছে। অৱশ্যে তদন্তৰ খাতিৰত উক্ত তথ্যসমূহ বৰ্তমানলৈ ৰাজহুৱা কৰা নাই মহানগৰ আৰক্ষীয়ে। মহেশ আগৰৱালাক গ্ৰেপ্তাৰৰ পাছতে আদালতত হাজিৰ কৰে মহানগৰ আৰক্ষীয়ে। আদালতে মহেশ আগৰৱালাক তিনিদিনৰ আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। বৰ্তমানে মহেশ আগৰৱালাক পাণবজাৰ থানাত ৰখা হৈছে যদিও গোচৰটো যিহেতুকে পল্টনবজাৰ থানাত ৰুজু হৈ আছে, গতিকে পল্টনবজাৰ আৰক্ষীয়ে তেওঁক জেৰা চলাব। অৱশ্যে প্ৰৱঞ্চনাৰ উক্ত গোচৰটোত চাৰিজন লোকক এতিয়ালৈকে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে যদিও চক্ৰটোৰ অন্যতম মূল অভিযুক্ত দীপাংকৰ বৰ্মনৰ অৱস্থান আজিলৈকে উলিয়াব পৰা নাই মহানগৰ আৰক্ষীয়ে। অভিযুক্ত দীপাংকৰ বৰ্মনে কেনেবাকৈ বিদেশলৈ পলায়ন কৰাৰ সন্দেহ কৰি সম্প্ৰতি আৰক্ষীয়ে তেওঁৰ পাছপ'ৰ্ট, আধাৰ কাৰ্ডকে ধৰি গুৰুত্বপূৰ্ণ নথিসমূহ দেশৰ প্ৰতিটো বিমানবন্দৰ তথা ৰে'ল আস্থানৰ কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰিছে। প্ৰৱঞ্চক দীপাংকৰ বৰ্মনৰ পৰিয়ালৰ আন আত্মীয়সকলকো অহা সোমবাৰৰ ভিতৰত আৰক্ষী থানাত হাজিৰ হোৱাৰ বাবে নিৰ্দেশনা জাৰি কৰিছে মহানগৰ আৰক্ষীয়ে।

# বিশিষ্ট শিল্পী দিগেন

প্ৰগতি মহন্তৰ সৈতে দ্বৈত কণ্ঠত কণ্ঠদান কৰিছিল। তদুপৰি তেওঁ ভাৱনা, কেঁচাসোণ ঐ, কাছোনমতি, আকাশী গংগা আদি এলবামত কণ্ঠদান কৰিছিল। ২০০৭ চনত স্থাপিত সুৰৰ পানচৈ শিল্পী সমাজৰ প্ৰতিষ্ঠাকালৰ সভাপতি হিচাবে একেৰাহে ১৮ বছৰ দ্বায়িত্ব পালন কৰি মহন্তই নগাঁৱত সংস্কৃতি সাধনাৰ এক পৰিৱেশ গঢ়ি তুলিছিল। সুৰৰ পানচৈ শিল্পী সমাজে তেওঁক কণ্ঠস্বৰ্ণ অভিধাৰ লগতে সুৰৰ পানচৈ শিল্পী বঁটা ২০২৪ প্ৰদান কৰে। ২০২২ চনত অগ্ৰণী সামাজিক সাংস্কৃতিক অনুষ্ঠান গান্ধাৰে 'সুৰৰত্ন যজ্ঞ বেজবৰুৱা বৰুৱা বটা' প্ৰদান কৰে। আন এক অগ্ৰণী অনুষ্ঠান সৃষ্টিয়ে প্ৰদান কৰিছিল 'কলংপৰীয়া শিল্পী বঁটা'। ২০১৬ চনত অসম চৰকাৰৰ শিল্পী পেন্সন লাভ কৰা দিগেন মহন্তক নগাৱৰ বিভিন্ন অনুষ্ঠানে সন্মান আৰু সম্বৰ্ধনা প্ৰদান কৰিছিল। তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে শোকস্তব্ধ হৈ পৰে নগাঁও। তেওঁৰ মৃতদেহ নগাঁও আহি পোৱাৰ পিছত অগণন গুণমুগ্ধৰ লগতে নগাঁৱৰ সমাজ জীৱনৰ বহুকেইগৰাকী আগশাৰীৰ ব্যক্তি তেওঁৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁৰ মৃতদেহ লৈ নগাঁও চহৰত এক মৌন সমদল উলিওৱা হয়। পিছত নগাঁও চহৰৰ আমোলাপট্টি শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়।

# মহিলা প্ৰাৰ্থীক তালাচীৰ

এটি ঘটনাৰ বিষয়েও মোক অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানে অৱগত কৰালে। য'ত এগৰাকী ছাত্ৰীৰ কাপোৰৰ ভিতৰৰ পৰা নকল উদ্ধাৰ কৰা হয়।" মুখ্যমন্ত্ৰীয়ে পুনৰ কয়, "আমি উচ্চতম পৰ্যায়ৰ নিকা আৰু স্বচ্ছতাৰে ADRE পৰীক্ষা অনুষ্ঠিত কৰিবলৈ এশ শতাংশ প্ৰয়াস কৰিছো । এই বিষয়ত আমি কোনো কাৰণতে আপোচ কৰা নাই । একে সময়তে আমাৰ মহিলা প্ৰাৰ্থীসকলৰ শালীনতা আৰু মৰ্যাদা সকলো সময়তে ৰক্ষা কৰাৰ বাবে আমি দায়বদ্ধ । গতিকে পৰৱৰ্তী পৰ্যায়ৰ পৰীক্ষাসমূহৰ পূৰ্বে মহিলা প্ৰাৰ্থীক তালাচী চলোৱাৰ সন্দৰ্ভত মহামান্য আদালতে আগবঢ়োৱা প্ৰাসংগিক ৰায় আৰু মহিলা আয়োগৰ পৰা অহা নিৰ্দেশনাৰ প্ৰতি লক্ষ্য ৰাখি এক সঠিক এছ অ' পি প্ৰস্তুত কৰা হ'ব ।" তালাচীৰ নামত চলা আপত্তিজনক ব্যৱহাৰৰ অভিযোগৰ পাছত আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে এই বিষয়ত তাৎক্ষণিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তদন্তৰ নিৰ্দেশ দিয়ে।" উল্লেখযোগ্য যে দেওবাৰে অনুষ্ঠিত তৃতীয় বৰ্গৰ পৰীক্ষাত নলবাৰীৰ বেলশৰৰ এগৰাকী যুৱতী প্ৰাৰ্থীয়ে তালাচীৰ নামত শৰীৰৰ গোপন অংশত হাত দিয়া বুলি বিস্ফোৰক অভিযোগ উত্থাপন কৰিছিল । এই যুৱতীগৰাকীৰ অভিযোগৰ পিচত সামাজিক মাধ্যমত বিভিন্নজনে চৰকাৰক তীব্ৰ সমালোচনা কৰিছে ।

# ম্যানমাৰৰ পৰা ৯০০

নিশ্চিত নহয় যদিও চোৰাংচোৱাৰ তথ্য এশ শতাংশ নিশ্চিত বাবেই সেনাক সজাগ কৰি ৰখা হৈছে। গুৰুত্বপূৰ্ণ যে মণিপুৰত বিভিন্ন অঞ্চলত বাহৰ পাতি থকা কুকি উগ্ৰপন্থী সংগঠনৰ দুৰ্ধৰ্ষ সদস্য অতি কঠোৰ প্ৰশিক্ষণপ্ৰাপ্ত। উগ্ৰপন্থী সদস্যসকলে ড্ৰোনৰ জৰিয়তে আক্ৰমণ চলাব পাৰে, জংঘলত অনায়াসে যুদ্ধ কৰিব পাৰে, সকলো ধৰণৰ অত্যাধুনিক অস্ত্ৰ - শস্ত্ৰ চলোৱাত দক্ষ এই উগ্ৰপন্থী দলটোৰ সদস্য। ইপিনে মণিপুৰৰ গোষ্ঠীগত সংঘৰ্ষ আৰু কূটাঘাতমূলক কাৰ্যত বিদেশী শক্তিৰ হাত আছে বুলি মুখ্যমন্ত্ৰী এন বীৰেন সিঙে প্ৰকাশ কৰিছে। চোৰাংচোৱাৰ মতেও কুকি উগ্ৰপন্থী সংগঠনক চীন আৰু পাকিস্তানৰ আইএছআয়ে সহায় কৰি আহিছে। তদুপৰি ম্যানমাৰৰ উগ্ৰপন্থী সংগঠনৰ সৈতেও জড়িত হৈ আছে কুকি উগ্ৰপন্থী।

# দিল্লীৰ মুখ্যমন্ত্ৰী

আহলাৱাটে শপতগ্ৰহণ কৰে। উল্লেখ্য যে মুকেশ আহলাৱাটক আতিশী মন্ত্ৰীসভাত নতুনকৈ অন্তৰ্ভুক্ত কৰা হৈছে। গোপাল ৰায়, সৌৰভ ভৰদ্বাজ, কৈলাশ গেহলট আৰু ইমৰান হুছেইন অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন চৰকাৰৰো মন্ত্ৰী আছিল। উল্লেখ্য যে মুখ্যমন্ত্ৰী হিচাপে শপত লোৱা আতিশী সিঙে কেজৰিৱালৰ চৰকাৰত ১৩টাগুৰুত্বপূৰ্ণ বিভাগৰ দায়িত্বত আছিল। বিত্ত, ৰাজহ, গড়কাপ্তানী, শক্তি, শিক্ষাকে ধৰি ১৩টা গুৰুত্বপূৰ্ণ বিভাগ চলোৱা আতিশী সিঙে মুখ্যমন্ত্ৰী হিচাপে পূৰ্বৰ দৰেই গুৰুত্বপূৰ্ণ বিভাগকেইটা নিজৰ হাতত ৰাখিব। মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰাৰ পূৰ্বে আতিশী সিঙে পুৰা আপৰ মুৰব্বী তথা প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ বাসভৱনলৈ গৈ বিভিন্ন বিষয়ত আলোচনা কৰাৰ লগতে আশীৰ্বাদ লয়। অহা ফেব্ৰুৱাৰী মাহত দিল্লী বিধানসভাৰ নিৰ্বাচনলৈকে মুখ্যমন্ত্ৰী হিচাপে আতিশী সিঙে কাৰ্যনিৰ্বাহ কৰিব।

# দৰং জিলাতো

দেৱী, খাৰুপেটীয়া পৌৰসভাৰ পৌৰপতি কৃষ্ণা সাহা, মঙলদৈ নগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ প্ৰতাপ বৰদলৈ, প্ৰশাসনৰ বিষয়াসকল, বিশিষ্ট ব্যক্তিসকল আৰু যথেষ্ঠ সংখ্যক মহিলা তথা ৰাইজ উপস্থিত থাকে। আনহাতে ছিপাঝাৰৰ ঘোৰাবন্ধা দৌলখলাত অৰুণোদয় ৩.০ আঁচনিৰ শুভাৰম্ভণি অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী। তেওঁ আঁচনিখন স্বচ্ছতাৰে যাতে ৰূপায়ণ হয় তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ উপৰিও দলগাঁৱৰ টাউন খেলপথাৰত অৰুণোদয় ৩.০ আঁচনিৰ শুভাৰম্ভণি অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত দলগাঁৱৰ বিধায়ক মজিবুৰ ৰহমানে কয় যে এই আঁচনিৰ জৰিয়তে দুখীয়া হিতাধিকাৰীসকল উপকৃত হ'ব । অনুষ্ঠানত অসম ৰাজ্যিক মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসে কয় যে অৰুণোদয় আঁচনিয়ে মহিলাসকলক সবলীকৰণ কৰিব। এই অনুষ্ঠানসমূহত দিছপুৰত মুখ্যমন্ত্ৰী ড°হিমন্ত বিশ্ব শৰ্মাই এই আঁচনি শুভাৰম্ভ কৰা অনুষ্ঠান আৰু তেখেতৰ ভাষণৰ পোনপটীয়া সম্প্ৰচাৰ প্ৰদৰ্শন কৰা হয়।

# ডিব্ৰুগড়ৰ অসম

পৰ্য্যায়ৰ অংশবিশেষৰ অতি অত্যাধুনিক প্ৰণালীৰে এই উন্নীত মৰণোত্তৰ গৃহত সম্পাদন কৰা হ'ব। গৃহটিত এক্সৰে' পৰীক্ষাৰ সুবিধাৰ লগতে মৃতদেহৰ সংৰক্ষণ তথা পোষ্টমৰ্টেম ভিডিঅ'গ্ৰাফীৰ অত্যাধুনিক সুবিধাও সংলগ্ন কৰা হৈছে। একে সময়তে প্ৰায় তিনিটা কোঠাত মৰণোত্তৰ পৰীক্ষাৰ সুবিধা থকা গৃহটিৰ প্ৰথম মহলাটিত শ্ৰেণী কোঠা, লেব'ৰেটৰী আৰু প্ৰেকটিকেল ক্লাছৰ বাবে তিনিটাকৈ সুকীয়া কোঠা আছে। গৃহটিত মৃতদেহৰ লগত সংশ্লিষ্ট কামত অহা আত্মীয় তথা আৰক্ষীৰ লোকৰ বাবে অপেক্ষা কোঠা আৰু অত্যাধুনিক শৌচাগাৰৰ ব্যৱস্থা ৰখা হৈছে বুলিও ফ'ৰেণচিক বিভাগৰ সহকাৰী অধ্যাপক ডাঃ ৰাইহান উদ্দিন আহমেদ সাংবাদিকক জানিবলৈ দিয়ে। উদ্বোধনী অনুষ্ঠানত এএমচিএইছৰ অধীক্ষক ডাঃ প্ৰশান্ত দিহিঙীয়াকে ধৰি ফৰেণচিক মেডিচিন বিভাগৰ চিকিৎসক ডাঃ নৱজিত বৰ্মন, ডাঃ ৰাইহান উদ্দিন আহমেদ, ডাঃ নিবেদিতা শ্যাম, এনাটমী বিভাগৰ ডাঃ নন্দিনী পেগুৰ লগতে পেথ'লজী বিভাগৰ অধ্যাপকসকল উপস্থিত থাকে।

# ENGLISH NEWS SECTION

## Assam Governor inaugurates 2nd International Day of Peace in Kokrajhar



Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya said that the Bodoland Peace Accord 2020 marked a new beginning, paving the way for greater autonomy, development, stability and lasting peace in Bodoland Territorial Region. Inaugurating the second International Day of Peace in Kokrajhar, Governor Shri Acharya said that the Peace Accord which was signed on 27 January, 2020 between Government of India, Government of Assam and the representatives of the Bodo groups brought peace in real sense of the term to Bodoland. He on this occasion, besides paying his rich tributes to Bodofa Upendra Nath Brahma, thanked all sections of the people of Bodoland for making peace and development in BTR a reality. The Governor said that the International Day of Peace celebrated as a part of Bodoland Happiness Mission which was launched in 2023 has been successful in fostering peace, happiness and sustainable development in the BTR. Stating the fact that the Mission emerged from a strong desire to heal the deep wounds left by decades of conflict, the Governor said that Bodoland Happiness Mission is successful in creating a peaceful and harmonious future for BTR's growth and Sustainable Development Goals. He moreover, said that the mission focuses on human development, social cohesion, and reconciliation, aiming to empower citizens to build a culture of peace and friendly dialogue.

## Assam Governor attends Vibrant North East 2024




Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya attended the Vibrant North East 2024, organized by the Centre for Agriculture and Rural Development at Srimanta Sankardev Kalakshetra in Guwahati. Speaking on the occasion as a chief guest, the Governor lauded the initiative of the organizer and other stakeholders for recognizing the North Eastern Region as a burgeoning frontier of growth and development. The Governor appreciated the Centre for Agriculture and Rural Development for its role in organizing this impactful event, noting that Vibrant North East is not just a reflection of the region's past and present, but a guiding force towards a future. Considering the huge resource pool, Shri Acharya emphasized that the region's rich landscapes, diverse communities, and vast untapped resources have positioned it as a prime contributor to progress of the nation. The Governor highlighted the natural wealth of the North East, underscoring its fertile land, abundant water resources, dense forests, and agriculture-friendly climate.

## Assam Governor launches development projects



Guwahati,RB News: In line with the vision of the Central and State governments, Assam Governor Shri Lakshman Prasad Acharya launched five key initiatives aimed at holistic development of all sections of the people of the state at a function held at Raj Bhavan. Shri Acharya inaugurated Governor Assam's Pratibha Protsahan Yojana, Governor Assam's Vishwakarma Samman, Governor Assam's Award for Excellence, Governor Assam's Bhasha Protsahan Yojana and Governor Assam's Varishtha Shikshak Samman Yojana. Launching the schemes for the people, Governor Shri Acharya said, "There is no shortage of talent in our state, but many talented individuals are unable to progress due to various obstacles. We must help them move forward. It is with this objective that we have enunciated these five initiatives." He expressed confidence that these schemes will encourage target people and contribute to building of a developed state and a developed nation.

## Jasprit Bumrah reaches 400 international wickets



RB News: Jasprit Bumrah crossed the mark of 400 international wickets during his four-wicket haul in the first Test against Bangladesh. He became the sixth Indian fast bowler to the landmark after Kapil Dev, Zaheer Khan, Javagal Srinath, Mohammed Shami, and Ishant Sharma. The 30-year-old right-arm pacer trapped Hasan Mahmud as his 400th international wicket.

## Afghanistan beat South Africa in international cricket



RB News: Afghanistan defeated South Africa by six wickets in the first ODI in Sharjah on Wednesday. This is the first time in international cricket history that Afghanistan have defeated South Africa. Afghanistan dismissed South Africa for 106 runs in 33.3 overs and chased down the target in 26 overs. Afghanistan pacer Fazalhaq Farooqi took four wickets in the match.

# যিকোনো বিনিয়োগৰ জৰিয়তে

ব্যক্তিগৰাকীয়ে লাভৰ ধনখিনি পাব। গতিকে আপোনালোকে অতি কম সময়ত ধনী হোৱাৰ সপোনত ডুব হৈ কোনো ব্যক্তিৰ চলাহী কথাত নিজৰ কষ্ট উপাৰ্জিত ধন অপচয় কৰিবলৈ তেনে ব্যক্তিৰ হাতত আপোনাৰ ধন তুলি নিদিব। যদি কোনোবা ব্যক্তিয়ে ৩০ পৰা ৪০ শতাংশ ধন লাভ কৰি দিয়াৰ সপোন দেখুৱাই তেনেহলে এটা প্ৰশ্ন নিশ্চিতভাৱে মনলৈ আনিব যে ইমান লাভ যদি সচাকৈ হয় তেনেহলে সেই ব্যক্তিগৰাকীয়ে বৃহৎ পৰিমাণৰ ধন নিজে লাভ নকৰি আপোনাক দিয়াৰ উদ্দেশ্য কি ? ধন উপাৰ্জনৰ জৰিয়তে স্বাৱলম্বী হোৱাটো প্ৰতিগৰাকী ব্যক্তিৰে এক সপোন থাকে কিন্তু অতি সহজ উপায় অৱলম্বন কৰি স্বাৱলম্বী হোৱাৰ সপোন যিয়ে দেখে তেনে ব্যক্তি কেতিয়াও স্বাৱলম্বী হব নোৱাৰে। জীৱনত যিকোনো প্ৰকাৰে সফল হবলৈ হলে চেষ্টা আৰু অধ্যবসায়ৰ কোনো বিকল্প নাই। কেতিয়াও কাৰো চলাহী কথাত ভোল গৈ আপুনি নিজৰ কষ্ট উপাৰ্জিত ধন আনে বিনিয়োগৰ জৰিয়তে উপাৰ্জন কৰি দিয়াৰ লোভত প্ৰবঞ্চনাৰ বলি হোৱাৰ পৰা বিৰত থাকক নহলে আপুনি সৰ্বশ্ৰান্ত হোৱাটো নিশ্চিত। বিশেষকৈ শ্বেয়াৰ বজাৰত তথ্য অথবা জ্ঞান আহৰণ কৰি আপুনি সফলভাবে ট্ৰেডিং কৰিব পাৰিব। কিন্তু কোনো তথ্য ৰাজহুৱাকৈ আনৰ লগত শ্বেয়াৰ কৰিব নোৱাৰিব। সেয়া চেবি অৰ্থাৎ শ্বেয়াৰ বজাৰ পৰিচালনা কৰা সংস্থাৰ নিয়মৰ বাহিৰত। ইয়াৰ বাবে বৃহৎ পৰিমাণৰ জৰিমনা বিহাৰ নিয়ম আছে। এনে অন্য ধৰণৰ বহু নীতি-নিয়ম আছে। যিসমূহ নীতি নিয়ম আপুনি অথবা মোৰ দৰে সাধাৰণ মানুহৰ জ্ঞাত নহয়। সাধাৰণ মানুহৰ তেনে অজ্ঞতাৰ সুযোগ গ্ৰহণ কৰি কিছুমান লোকে প্ৰবঞ্চনাৰ জাল পেলাই। যদি আপুনি নিজে বিনিয়োগ কৰিবলৈ অপাৰগ তেনেহলে আনৰ সহায়ত বিনিয়োগ কৰাৰ পৰিবৰ্তে বিনিয়োগৰ প্ৰতিটো স্তৰৰ তথ্য আহৰণ কৰিবলৈ চেষ্টা কৰক আৰু নিজকে বিনিয়োগৰ ক্ষেত্ৰ খনত যোগ্য হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰক। যদি সেয়া আপোনাৰ বাবে সম্ভৱপৰ নহয় বুলি আপুনি নিজে অনুভৱ কৰে তেনেহলে আপুনি বিনিয়োগৰ জৰিয়তে স্বাৱলম্বী হোৱাৰ সপোন এৰি দি অন্য দিশত স্বাৱলম্বী হোৱাৰ সপোন দেখিবলৈ আৰম্ভ কৰক। গতিকে আপুনি কেতিয়াও কোনো লোকৰ চলাহী কথাত ভোল গৈ নিজক সৰ্বশ্ৰান্ত কৰাৰ বাট মুকলি কৰি নিদিব। আপুনি নিজে যদি ভুল নকৰে তেনেহলে আপোনাক কোনেও প্ৰবঞ্চনা কৰিব নোৱাৰে। আপোনাৰ এটা সামান্য ভুল আপোনাৰ জীৱনৰ আটাইতকৈ ডাঙৰ বিপদ হিচাপে পৰিগণিত হবলৈ বৰ বেছি সময় নালাগে।




ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286